সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৭ সংখ্যা, ১০ বহাগ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 17 * Date Of Publication - 24 April 2022 Rs.10.00/-

## গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ ভোটদানৰ চূড়ান্ত হাৰ ৫২.৮০ শতাংশ

ৰঙিলী বাৰ্ত্তাসেৱা- সুদীৰ্ঘ ৯ বছৰৰ পাছত আজি অনুষ্ঠিত হোৱা গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত ৰাজধানী চহৰ গুৱাহাটী মহানগৰবাসীয়ে ভোটদানৰ প্ৰতি উদাসীনতা দেখুওৱা পৰিলক্ষিত হ'ল। অসম ৰাজ্যিক নিৰ্বাচনী আয়োগে এক বিবৃতিযোগে প্ৰকাশ কৰিছে যে গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ ভোটদানৰ চূড়ান্ত হাৰ ৫২.৮০ শতাংশ। লোকসভা, বিধানসভা নিৰ্বাচনৰ তুলনাত পৌৰ নিগমৰ নিৰ্বাচনত ভোটদানৰ হাৰ নিম্নগামী হ'ল। মহানগৰীৰ অভিজাত আৰু মধ্যবিত্ত ভোটাৰৰ অধিকাংশই এই নিৰ্বাচনত ভোটদানৰ প্ৰতি প্ৰদৰ্শন কৰিলে উদাসীনতা। মূল্যবৃদ্ধিকে ধৰি গুৱাহাটীবাসীয়ে বছৰৰ পাছত বছৰ ধৰি সন্মুখীন হৈ অহা জ্বলন্ত সমস্যা, যেনে- বিশুদ্ধ খোৱাপানী, কৃত্ৰিম বান আদি সমস্যাৰ পৰা পৰিত্ৰাণ নোপোৱা বাবে অনুষ্ঠিত হোৱা পৌৰ নিগমৰ নিৰ্বাচনত



ভোটদান নকৰি মহানগৰবাসীয়ে একপ্ৰকাৰ নীৰৱ প্ৰতিবাদ সাব্যস্ত কৰিলে বুলি সৰ্বত্ৰ চৰ্চা চলিছে। পুৱা ৭.৩০ বজাৰ পৰা ৭৫৭ টা ভোটগ্ৰহণ কেন্দ্ৰত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে বিয়লি ৪.৩০ বজালৈকে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হয়। এইবাৰ গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত ৬০টা ৱাৰ্ডত ভোটগ্ৰহণ হ'ব লগা আছিল যদিও ৫, ৬ আৰু ২২নং ৱাৰ্ডৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীকেইগৰাকী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত ৫৭ টা ৱাৰ্ডতহে ভোটগ্ৰহণ অনুষ্ঠিত হয়। এই ৫৭ টা বাৰ্ডত সৰ্বমুঠ ১৯৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। ইয়াৰ ভিতৰত বিজেপিৰ ৫০জন, অগপৰ ৭ জন, কংগ্ৰেছৰ ৫৪জন, আম আদমী পাৰ্টীৰ ৩৮জন, অসম জাতীয় পৰিষদৰ ২৫জন, চি পি আই (এম)ৰ ৪জন প্ৰাৰ্থীৰ লগতে ১৯জনকৈ নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰে। ই ভি এমত বন্দী হ'ল এই ১৯৭ গৰাকী প্ৰাৰ্থীৰ ভাগ্য।

( তিনিপৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ

## মূল্যবৃদ্ধিয়ে কোঙা কৰা বহাগ

এতিয়া প্ৰকৃতিৰ বুকুত নাহৰ, কপৌ, তগৰে ন সাজ পিন্ধাৰ সময়। লঠঙা ফাগুনৰ ধূলিয়ৰী বাটত সেন্দুৰীয়া আলিৰ সন্ধিয়াৰ এক ফৰিং ফুটা জোনাক। য'ত প্ৰেমিক প্ৰেমিকাৰ সপোনবোৰে পোখা মেলে আৰু ৰংবোৰ হৈ ৰয় আদৰৰ। বহাগ মানেই অসমীয়াৰ হিয়াৰ আমঠু। আমাৰ কৃষিভিত্তিক সমাজখনৰ কৃষকসকলে ধৰণীক সেউজীয়া কৰাৰ প্ৰতিশ্ৰুতি লৈ সদলবলে খেতিপথাৰলৈ ওলাই আহে। বিহুৰ দিনা সৰুৱে ডাঙৰক বিহুৱান দি সেৱা কৰে। সকলো ফালেই উভৈনদী হৈ থকা এই বিহুটো এতিয়া আমি নিম্ন মধ্যবিত্ত মানুহখিনিৰ বাবে যেন সহজসাধ্য হৈ থকা নাই। ইয়াৰ অন্তৰালত মাথোঁ এটাই কাৰণ সি হ'ল আকাশলংঘী মূল্যবৃদ্ধি। মূল্যবৃদ্ধিয়ে যেন কোঙা কৰি পেলাইছে সৰ্বসাধাৰণক। পেট্ৰোলৰ অভাৱনীয় মূল্যবৃদ্ধি হোৱাৰ লগে লগে বাকী সকলো বস্তুত ইয়াৰ পৰোক্ষ প্ৰভাৱ পৰিছে। তথাপিও বিহুত উদং হাতখনে থাকিবলৈ মনে নোকোৱা আমিবোৰে বজাৰখনলৈ গৈছো। কিন্তু সকলোতকৈ আশ্চৰ্য কৰ কথা এয়ে যে আজি মূল্যবৃদ্ধিৰ বিপক্ষে থিয় দিবলৈ কাৰো অবকাশ নাই। ভাবিলে দুখ লগা অৱস্থা আহোমে ৬০০ বছৰ কাল ৰাজত্ব কৰি যোৱা এখন বিশাল ৰাজ্যত এটা শক্তিশালী বিৰোধী দলৰ অভাৱ। ইয়াৰ মূখ্য কাৰণ হ'ল সুদক্ষ ৰাজনীতিবিদৰ অভাৱ। ৰাজনীতিবিদসকলে সদায় নিজৰ স্বাৰ্থতকে জনসাধাৰণৰ আশা আকাংক্ষাৰ প্ৰতি সজাগ হোৱা জনে প্ৰকৃত ৰাজনীতি বিদৰ আখ্যা পোৱাৰ দৰকাৰ। এইবোৰ কথা ক'লেও ওৰ নপৰা কথা হৈ পৰিছে।এতিয়া বহাগৰ বতৰ ন কুঁহিপাতৰ দৰে আশাবোৰ বুকুত সিঁচাৰ সময়। বছৰটোৰ আৰম্ভণিতে আমাৰ ৰঙিলী বাৰ্তা ৰ সমূহ পাঠক বৃন্দক অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জনাইছোঁ।আমাৰ মৰমৰ ই পেপাৰখনক আপোনালোকে দিয়া মৰমেৰে আমি যেন আৰু আগবাঢ়ি যাওঁ তাৰ বাবেই আপোনালোকৰ ওচৰত আৰ্শীবাদ বিছাৰিলোঁ।

## সপ্তম ভাৰত ঔদ্যোগিক মেলা, উদ্যম-২২ আনুষ্ঠানিকভাৱে উদ্বোধন

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰত চৰকাৰৰ অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ উদ্যোগত আৰু অসমৰ উদ্যোগ বিভাগৰ সহযোগত অনুষ্ঠিত সপ্তম ভাৰত ঔদ্যোগিক মেলা, উদ্যম-২২ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কেন্দ্ৰীয় মন্ত্ৰী নাৰায়ণ বানে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই ঔদ্যোগিক মেলাত উপস্থিত থাকে। অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ (এম এছ এম ই) খণ্ডৰ উৎপাদক আৰু নিৰ্মাতাসকলক তেওঁলোকৰ সামগ্ৰীসমূহ চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ সম্ভাব্য



ক্ৰেতাসকলৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যে এক মঞ্চ গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ উদ্যোগ-বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ সহযোগত এই মেলাৰ আয়োজন কৰিছে। মেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত কয় যে এনে মঞ্চই উদ্যোগীসকলক অধিক উৎসাহেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰি

( পাঁচ পৃষ্ঠাত চাওক)

## ভাৰতত ২, ৫২৭ জন লোক কৰ'নাত আক্ৰান্ত হৈছে



ৰঙিলী বাৰ্ত্তাসেৱা —স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা২৪ ঘণ্টাত ২, ৫২৭ জন লোক কৰ'নাত আক্ৰান্ত হৈছে । আৰু যোৱা ২৪ ঘণ্টাত কৰ'নাাত আক্ৰান্ত হৈ ৩৩ জন লোকৰ মৃত্যু হৈছে । ভাৰতত বৰ্তমান ১৫,০৭৯টা সক্ৰিয় ঘটনা আছে। আনহাতে কৰ'নাত আক্ৰান্ত হৈ ভাৰতত মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫,২২,১৪৯ লৈ বৃদ্ধি হৈছে।

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ গীত- মাতৰ অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ ৩০৭ সংখ্যক গীত মাতৰ বিশেষ বৈঠকখনি গণেশপাৰাৰ সুৰেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত সাধাৰণ সম্পাদক গকুল বৰুৱাৰ আহ্বানত আৰু উপদেষ্টা সুশীল চন্দ্ৰ বৰঠাকুৰৰ সঞ্চালনাত অলপতে অনুষ্ঠিত হয়। বিগত বৈঠকৰ কাৰ্যবিৱৰণী সাধাৰণ সম্পাদক গকুল বৰুৱাই পাঠ কৰাৰ পাছতে সাংস্কৃতিক শাখাৰ সম্পাদিকা ৰীনা দাসৰ পৰিকল্পনা আৰু পৰিচালনাত আৰম্ভ হয় গীত-মাতৰ অনুষ্ঠান। সমাজৰ সদস্যা অনুভা বৰুৱাই আঁত ধৰা অনুষ্ঠানত আৰাধনা দেৱী, নিভা ডেকা, সুজলা বৈশ্য, অঞ্জুমণি দাস, গীতিমা বৰুৱা, মঞ্জু দাসে সমবেতগীত পৰিৱেশন কৰে। অনুষ্ঠানত মনদীপ বৰুৱাই ৰাভা সংগীত, অমৰেন্দ্ৰ মল্ল বৰুৱাই ভূপেন্দ্ৰ সংগীত, ভাৰ্গৱ দাসে লোকগীত, হৃষিকা বৈশ্য, বৃষ্টি, নৱস্মিতা, আয়ুত্ৰী, অন্বেষা, কুৱলী, তৃষিকা নাথ, ৰঞ্জন বড়ো, জুমি মেধি, জ্যোতিস্মান দাস, ৰাকেশ শৰ্মাই গীত পৰিৱেশন কৰে। গায়ত্ৰী মুদৈয়ে সত্ৰীয়া নৃত্য, সাগৰিকা বৰুৱাই কথক নৃত্য, সুৰেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিহু নৃত্য পৰিৱেশন কৰে। গকুল বৰুৱাৰ কবিতা আবৃত্তিৰ লগতে কুনাল দাসে তবলা বাদনেৰে অনুষ্ঠানটো জীপাল কৰি তোলে।বিশেষ অতিথি হিচাপে অন্ধ্ৰপ্ৰদেশৰ নেভী বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা এ গৌৰী শংকৰ ৰাও বৈঠকত উপস্থিত থাকি দুআষাৰ কয়। জ্যোতিষ ঠাকুৰীয়াৰ পৰিচালনাত সমজুৱাৰ হাঁহিৰে বৈঠকৰ সামৰণি মৰা হয়।

# মুখ্যমন্ত্ৰীয়ে ৬০০ কোটি টকাৰ পেকেজ ঘোষণা কৰা কাৰ্যক আপৰ গৰিহণা

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনলৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰি ৬০০ কোটি টকাৰ পেকেজ ঘোষণা কৰা কাৰ্যক আম আদমি পাৰ্টীয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। আপৰ যুটীয়া সমন্বয়ক লক্ষ্মীকান্ত দোৱে এক প্ৰেছ বিবৃতি যোগে কয়- বছৰ ধৰি শাসনত থকাৰ পাছতো মহানগৰখনৰ বাবে একো কৰিব নোৱাৰা বিজেপিয়ে নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ প্ৰলোভন আৰু মিথ্যাচাৰত আশ্ৰয় লৈছে। নিৰ্বাচনৰ আগত বিজেপিয়ে পেকেজ ঘোষণাৰ ৰাজনীতিৰে জনতাক প্ৰৱঞ্চনা কৰি অহা কাৰ্য নতুন নহয় ।কিন্তু ক্ষমাতালৈ অহাৰ পাছত এই পেকেজ কেতিয়াও কাৰ্যকৰী কৰা নহয়।ভোটাৰক একমাত্ৰ প্ৰলোভন দিয়াৰ বাদে গুৱাহাটীৰ উন্নয়নৰ বাবে কোনো উদ্দেশ্য এই পেকেজত নাই। আম আদমি পাৰ্টীয়ে মুখ্যমন্ত্ৰী শৰ্মাক প্ৰত্যাহ্বান জনাই পুনৰ কয় যে এই পেকেজৰ জৰিয়তে পৌৰ নিগমে কি কি কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰিব, সেই বিষয়ৰ সবিশেষ মুখ্যমন্ত্ৰীয়ে জনতাক অৱগত কৰক। গুৱাহাটীবাসীয়ে বিজেপিৰ মিথ্যাচাৰত আৰু ভোল নাযায়। আপৰ উত্থানত শংকিত বিজেপি আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবিধান আৰু গণতান্ত্ৰিক প্ৰহসনত পৰিণত কৰা কাৰ্যক গৰিহণা দিবলৈ আপে ভাষা বিচাৰি পোৱা নাই। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ ৬০ টা ৱাৰ্ডৰ বাবে ৬০০ কোটি টকাৰ পেকেজ ভোট গ্ৰহণৰ চাৰি দিন আগতে ঘোষণা কৰা অপকৰ্মক গুৰুত্বসহকাৰে লৈ নিৰ্বাচনী বিষয়াৰ ওচৰত অভিযোগ উত্থাপন কৰিব। এইখিনিতে আপে বিজেপিক সতৰ্ক কৰি দিয়ে যাতে জনতাৰ বাবে দলটোৱে কাম কৰে। কাৰণ অসমৰ ৰাজনৈতিক পথাৰত একমাত্ৰ উন্নয়নৰ ৰাজনীতি কৰা অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আম আদমি পাৰ্টী আহি গৈছে। অন্যথা পৰৱৰ্তী নিৰ্বাচনবোৰতো বিজেপিয়ে নিৰ্বাচনৰ আগত জনতাক প্ৰলোভন দি দি তৰণি নাপাব।

# বিদ্যুৎ যোগান স্বাভাৱিক কৰাৰ দাবীত মন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত যোৱা কেইবাদিন ধৰি কালধুমুহা আৰু বৰষুণৰ ফলত বিভিন্ন জিলাৰ বহু অঞ্চল বিদ্যুৎ সংযোগহীন হৈ পৰিছে। এইবোৰ অঞ্চলৰ মেৰামতিৰ কাম দ্ৰুত সম্পন্ন কৰি বিদ্যুৎ যোগান স্বাভাৱিক কৰাৰ দাবীত আজি অল আছাম ইলেকট্ৰিচিটি কনজুমাৰ্চ এছছিয়েশ্যনৰ ৰাজ্যিক কমিটীয়ে ৰাজ্যৰ বিদ্যুৎ মন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ অনলাইন যোগে প্ৰেৰণ কৰে।এছচিয়েশ্বনৰ ৰাজ্যিক আহ্বায়ক অজয় আচাৰ্য আৰু হিল্লোল ভট্টাচাৰ্য স্বাক্ষৰিত স্মাৰকপত্ৰ খনত অভিযোগ কৰি কয় যে, ডিগবৈ, মাৰ্গাৰিটা, ধুবুৰী, কৰিমগঞ্জ, নলবাৰী, মৰিগাঁও সহ অন্যান্য জিলাৰ বহু স্থানত কেইবাদিন অতিবাহিত হোৱাৰ পাছতো বিদ্যুৎ বিভাগে বিদ্যুৎ যোগান স্বাভাৱিক কৰিব পৰা নাই। এই অঞ্চলসমূহত বিদ্যুতৰ ওপৰত নিৰ্ভৰশীল সকলো ধৰণৰ প্ৰয়োজনীয় সেৱা প্ৰায় স্তব্ধ হৈ পৰিছে।অতীততো ধুমুহাৰ ফলত এনে পৰিস্থিতিৰ সৃষ্টি হৈছে, কিন্তু এইবাৰ বিদ্যুৎ বিভাগৰ চূড়ান্ত লেহেমীয়া গতিৰ ফলত জনসাধাৰণে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বহু অঞ্চলত অত্যন্ত কম ভল্টেজৰ কাৰণে বিদ্যুৎ থকা নথকা একেই হৈছে। এছচিয়েশ্বনে অতি দ্ৰুত মেৰামতিৰ কাম সম্পন্ন কৰি বিদ্যুৎ যোগান স্বাভাৱিক কৰাৰ দাবী জনোৱাৰ লগতে অহা দিনত এই ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হ'লে বাৰ ঘন্টাৰ ভিতৰত পৰিস্থিতি স্বাভাৱিক কৰাৰ বাবে বিদ্যুৎ বিভাগে দক্ষ টা' ফৰ্চ সষ্টম কৰি ৰখাৰো দাবী জনোৱা হয়।

# আমৰাংগা বৰিহাটৰ পৰা লাডাখলৈ খোজ কঢ়া খেলুৱৈ অঞ্জলি দাসক সম্বৰ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ আমৰাংগা বৰিহাটৰ হাটখোৱাপাৰাস্থিত নিজ গৃহত ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ তথা নিজ গৃহৰ পৰা সুদূৰ লাডাখলৈ খোজ কাঢ়ি অভিলেখ সৃষ্টি কৰা অঞ্জলি দাসক 'দক্ষিণ কামৰূপ সচেতন মঞ্চ'ৰ পৰা বিপুলভাৱে সম্বৰ্ধনা জনায়। অসমীয়া বিহুৱান, মানপত্ৰ আৰু গছৰ পুলিৰে সম্বৰ্ধনা জনোৱা হয় । সচেতন মঞ্চৰ উপদেষ্টা তথা সাংবাদিক দীপক শৰ্মা, অধ্যক্ষ তথা প্ৰাক্তন ছাত্ৰ নেতা মদন দাস, শিক্ষা সম্পাদক ৰঞ্জিৎ মহন্ত, প্ৰচাৰ সম্পাদক শিৱষ দাস, সদস্য তাজনুৰ আলম চৌধুৰী, দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি হেমন্ত কুমাৰ চৌধুৰীৰ নেতৃত্বত যোৱা দলটোৰ সম্বৰ্ধনা গ্ৰহণ কৰি অঞ্জলি দাসে কয়- মই খুৱেই সুখী। আজিৰ নতুন প্ৰজন্মৰ বিদ্যাৰ্থীসকলে ক্ৰীড়াত বেছি মনোনিৱেশ কৰিব লাগে। চৰকাৰেও যথোপযুক্ত ধৰণেৰে সহায় কৰিব লাগে। সচেতন মঞ্চৰ উপদেষ্টা দীপক শৰ্মাই কয়- অঞ্জলি দাস অসমৰ সম্পদ। তেওঁৰ দুঃসাহসিক ক্ৰীড়া শৈলীয়ে আমাৰ নতুন প্ৰজন্মৰ বাবে বৰ পাথেয়। ৰাজ্য চৰকাৰে অঞ্জলি দাসক যথোপযুক্ত সন্মান দিবলৈও অনুৰোধ জনায়। সচেতন মঞ্চৰ অধ্যক্ষ মদন দাসে কয়- দক্ষিণ কামৰূপলৈ ক্ৰীড়াৰ জড়িয়তে সন্মান কঢ়িয়াই অনা অঞ্জলি দাসৰ অনন্য প্ৰতিভাই আমাৰ বাবে বৰ প্ৰেৰণাদায়ক।

# ধিং মহাবিদ্যালয়ত দুদিনীয়াকৈ ৰাষ্ট্ৰীয় পয্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত



ৰঙিলী বাৰ্ত্তাসেৱা- ধিং মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত ইণ্ডিয়ান কাউঞ্চিল অফ হিষ্টৰীকেল ৰিচাচ (ICHR)ভাৰতীয় ইতিহাস সংকলন সমিতিৰ উত্তৰ পূৰ্বৰ সৌজন্যত শুকুৰবাৰৰ পৰা দুদিনীয়াকৈ আজাদী কা অমৃত মহোৎসৱ দিৱস উপলক্ষে ধিং মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পয্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয় । অসম তথা ভাৰতৰ বিভিন্ন ঠাইৰ বহু কেইগৰাকী বক্তা তথা গৱেষক উপস্থিত থকা ৰাষ্ট্ৰীয় পয্যায়ৰ আলোচনা চক্ৰত অৱশ্যে অন লাইন জৰিয়তে প্ৰায় ৪০ (চল্লিশ) খন পুথি পাঠ হয়। অসম তথা ভাৰতৰ বিভিন্ন ঠাইৰ বহু কেইগৰাকী ৰাজনীতিবিদে অংশ গ্ৰহণ কৰা ৰাষ্ট্ৰীয় পয্যায়ৰ আলোচনা চক্ৰ খনিত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয় ৰাজনীতি

*( তিনিপৃষ্ঠাত চাওক)*

# জাতীয় শিক্ষানীতিৰ বিৰুদ্ধে ‘চৰকাৰী শিক্ষা বচাও দিৱস’ পালন



ৰঙিলী বাৰ্ত্তাসেৱা- ‘জাতীয় শিক্ষানীতি’ ২০২০ কাৰ্যকৰী কৰি ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংস কৰাৰ যোগেদি শিক্ষাৰ ব্যৱসায়ীকৰণৰ প্ৰক্ৰিয়া তীব্ৰতৰ কৰাৰ বিৰুদ্ধে আজি অল ইণ্ডিয়া ডি এছ অ'ৰ অসম ৰাজ্যিক কমিটীৰ আহ্বানত ৰাজ্যব্যাপী চৰকাৰী শিক্ষা বচাওঁ দিৱস পালন কৰা হয়। গুৱাহাটী, শিলচৰ, মঙ্গলদৈ, নলবাৰী, কৰিমগঞ্জ, তেজপুৰ, নগাঁও, ধুবুৰী, গোৱালপাৰা, উত্তৰ লক্ষীমপুৰ, মাজুলী সহ ৰাজ্যৰ বিভিন্ন ঠাইত ছাত্ৰ ছাত্ৰীসকলে সমবেত হৈ ধৰ্ণা, বিক্ষোভ আদি কাৰ্যসূচী ৰূপায়ন কৰে। দিনৰ ১০ বজাত গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ সন্মুখত প্ৰতিবাদী ছাত্ৰ ছাত্ৰীসকলে সমবেত হৈ জাতীয় শিক্ষানীতি-২০২০ কাৰ্যকৰী কৰি ৰাজহুৱা শিক্ষা ব্যৱস্থাক ধ্বংস কৰাৰ চক্ৰান্ত বন্ধ কৰক, ২০ এপ্ৰিল ৰাজ্যজুৰি চৰকাৰী শিক্ষা বচাওঁক দিৱস পালন কৰক, ৰাজহুৱা শিক্ষা ব্যৱস্থাক ধ্বংস কৰি দুখীয়া ঘৰৰ ছাত্ৰ ছাত্ৰীৰ শিক্ষাৰ সুযোগ কাঢ়ি লোৱা নচলিব, অষ্টম শ্ৰেণীলৈকে পাছ - ফেল প্ৰথা পুনৰ প্ৰৱৰ্তন আৰু পৰ্য্যাপ্ত শিক্ষক নিয়োগ কৰি ৰাজহুৱা শিক্ষাৰ মান উন্নত কৰক, ৰাজহুৱা শিক্ষা ব্যৱস্থা ৰক্ষাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰক, ৰাজহুৱা শিক্ষাৰ আন্তগাঁথনি উন্নত কৰাৰ ব্যৱস্থা কৰক, শিক্ষকসকলক অনা শৈক্ষিক কামত নিয়োগ কৰা বন্ধ কৰক আদি শ্ল'গানেৰে ৰাজপথ উত্তাল কৰি তোলে। গুৱাহাটীৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি অল ইণ্ডিয়া ডি এছ অ'ৰ ৰাজ্যিক সভাপতি প্ৰজ্জ্বল দেৱে কয় যে শিক্ষাৰ ব্যৱসায়ীকৰণৰ স্বাৰ্থত কংগ্ৰেছ চৰকাৰে চৰকাৰী শিক্ষা ধ্বংস কৰাৰ বাবে সৰ্বশিক্ষা অভিযান আৰম্ভ কৰাৰ লগতে শিক্ষাৰ অধিকাৰ আইন প্ৰৰ্বতন কৰি অষ্টম শ্ৰেণীলৈকে পাছ ফেইল প্ৰথা উঠাই দিছিল। তদুপৰি শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কোনো গুৰুত্ব দিয়া নাছিল। পৰৱৰ্তী সময়ত বিজেপি চৰকাৰ ক্ষমতাসীন হৈ একেটাইনীতি কাৰ্যকৰী কৰি আছে। এতিয়াও বহু বিদ্যালয়ত শিক্ষকৰ অভাৱত পাঠদান মাৰাত্মকভাৱে ব্যাহত হৈ আছে। তাৰোপৰি বৰ্তমান বিজেপি চৰকাৰে জাতীয় শিক্ষানীতি, ২০২০ কাৰ্যকৰী কৰি প্ৰাক প্ৰাথমিকৰ পৰা ২ য় শ্ৰেণীলৈকে পাঠদানৰ দায়িত্ব অংগনবাড়ী কেন্দ্ৰৰ অপ্ৰশিক্ষিত কৰ্মীসকলৰ হাতত গতাই দিয়াৰ যোগেদি আৰু স্কুলসমূহৰ ক্লোজাৰ আৰু মাৰ্জাৰ (একত্ৰিকৰণৰ) প্ৰক্ৰিয়াৰ যোগেদি ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ ধ্বংস সাধন কৰিব ওলাইছে। বৰ্তমান মুখ্যমন্ত্ৰী ৰপ্ত বছৰ কাল ধৰি শিক্ষা মন্ত্ৰী হৈ থকা অৱস্থাতেই ৰাজহুৱা শিক্ষাৰ মানৰ এই অভাৱনীয় অৱনমন ঘটিছে আৰু এতিয়া মুখ্যমন্ত্ৰী হিচাবে শিক্ষাৰ ব্যৱসায়ীকৰণৰ কাম ক্ষিপ্ৰ কৰাৰ স্বাৰ্থত জাতীয় শিক্ষা নীতি, ২০২০ প্ৰৰ্বতন কৰিবলৈ উঠিপৰি লাগিছে। শিক্ষাৰ মান ৰক্ষাৰ মূল দায়িত্ব চৰকাৰৰ অথচ তাক আৰু কৰিবলৈ ৰাজহুৱা শিক্ষাৰ সৰ্বনাশৰ সকলো দায় দায়িত্ব শিক্ষকসকলৰ ওপৰত জাপি দিব বিচাৰিছে।

# বেছামাৰী এ বি ছিদ্দিক জাতীয় বিদ্যালয়ৰ ছাত্ৰী “চন্দ্ৰাৱলী” শীৰ্ষক এখনি কবিতা পুথি উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ ব্যক্তিগত খণ্ডৰ অগ্ৰনী শিক্ষানুষ্ঠান বেছামাৰী এ বি ছিদ্দিক জাতীয় বিদ্যালয়ত আজি বিদ্যালয়ৰ খনৰ দশম শ্ৰেণীত অধ্যয়নৰত মেধাৱী ছাত্ৰী আফ্ৰোজোন আকতাৰৰ “চন্দ্ৰাৱলী” শীৰ্ষক এখনি কবিতা পুথি উন্মোচন কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জাতীয় বিদ্যালয়খনৰ অধ্যক্ষ জালাল উদ্দিন খন্দকাৰে কবিতা পুথি খনি উন্মোচন কৰি পিছপৰা অঞ্চলটোৰ দৰিদ্ৰ মেধা ছাত্ৰী গৰাকীৰ সৃজনশীল প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে আশীৰ্বাদ প্ৰদান কৰে। বিদ্যালয় খনৰ শিক্ষক লক্ষ্যধৰ তালুকদাৰে অনুষ্ঠানটিৰ আঁত ধৰি ছাত্ৰীগৰাকীৰ জীৱন সংগ্ৰামৰ বিষয়ে আলোকপাত কৰি ভৱিষ্যতৰ দিনত অধ্যয়নৰ সমান্তৰালকৈ সাহিত্য চৰ্চাত ব্ৰতী হবলৈ প্ৰেৰণা দিয়ে। উল্লেখ্য যে, আফ্ৰোজোন আখতাৰ নামৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰীগৰাকীয়ে দ্বিতীয় শ্ৰেণীৰ পৰাই কবিতাৰ চৰ্চা কৰি আজি “চন্দ্ৰাৱলী” শীৰ্ষক প্ৰথমখন কবিতা পুথি প্ৰকাশ কৰে। অনুষ্ঠানটিত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুজাম্মিল হক, সম্পাদক চামচুল হক, প্ৰাক্তন সভাপতি ইছমাইল হুছেইন, মহিবুৰ ৰহমান, ফাইজুল ইছলাম, কল্পনা বৰদলৈ, আনছাৰ আহমেদ, নিজাম উদ্দিন, গিতু কুমাৰ নাথ, এনি ডেকা, বিপ্লৱ কুমাৰ নাথ, আলতাব উদ্দিন আহমেদ, আব্দুছ ছেলিম চৌধুৰী, ইজাজুল হককে আদি কৰি শিক্ষক অতিথি, ছাত্ৰ ছাত্ৰী উপস্থিত থাকে।

# প্ৰথম বাৰ্ষিক অভিনৱ বৰা সোঁৱৰণী নগাঁও প্ৰিমিয়াৰ লীগ




ৰঙিলী বাৰ্ত্তাসেৱা- নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ উদ্যোগত অহা ২৮ এপ্ৰিল ২০২২ৰ পৰা অভিনৱ বৰা সোঁৱৰণী নগাঁও প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতা খনি নগাঁও নুৰুল আমিন ষ্টেডিয়ামত অনুস্থিত কৰিবলৈ লোৱা হৈছে।দেশৰ আগশাৰীৰ জনপ্ৰিয় ক্ৰিকেট টুৰ্ণামেণ্ট ‘ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ’ৰ আৰ্হিত অনুস্থিত হ'বলগীয়া নগাঁও প্ৰিমিয়াৰ লীগ খনত সৰ্বমুঠ ১২ টা দলে অংশগ্ৰহন কৰিব। ২৮ এপ্ৰিলৰ পৰা ৭ মে' লৈকে হ'বলগীয়া এই প্ৰতিযোগিতাখনিৰ দলসমূহৰ নাম নগাঁৱৰ বিভিন্ন অঞ্চলৰ নামেৰে নামাকৰণ কৰা হৈছে। খেলখনৰ উদ্যোক্তা নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবে নগাঁৱত প্ৰথম বাৰৰ বাবে এখন অতি আৰ্কষণীয় টুৰ্ণামেণ্ট অনুস্থিত হ'ব বুলি আশা ব্যক্ত কৰিছে। ২০অভাৰকৈ অনুস্থিত হ'ব লগা প্ৰতিযোগিতাখনিত প্ৰত্যেকটো দলে নিজৰ নিজৰ আৰ্কষণীয় ৰঙ বিৰঙৰ জাৰ্চি পৰিধান কৰাৰ লগতে বগা বল ব্যৱহাৰ কৰিব। উল্লেখযোগ্য যে টুৰ্ণামেণ্টখনত চলন্ত ট্ৰফীসহ নগদ ধনৰ উপহাৰ থাকিব।Man of the Tournament, Best batsman, Best bowler আদিকে ধৰি আৰু বহুতো আৰ্কষণীয় পুৰস্কাৰেৰে সমৃদ্ধ এখন উচ্ছ মানদণ্ডৰ টুৰ্ণামেণ্ট ক্ৰীড়াপ্ৰেমীয়ে উপভোগ কৰিব পাৰিব। প্ৰতিখন খেলতেMan of the match থাকিব বুলিও উদ্যোক্তাসকলে সদৰী কৰিছে।

# ধিং মহাবিদ্যালয়ত

বিজ্ঞান বিভাগৰ মুৰব্বী জয়ন্ত কৃষ্ণ শৰ্মা, মুখ্য অতিথি হিচাবে উপস্থিত থাকে দিল্লী বিশ্ববিদ্যালয়ৰ কমলা নেহৰু কলেজৰ এচ'চিয়েট প্ৰফেচাৰ ড° চেতনা শৰ্মা, বিশিষ্ট অতিথি হিচাবে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় গুৱাহাটী শাখাৰ অধ্যাপক তথা গৱেষক গজেন্দ্ৰ অধিকাৰী আৰু উত্তৰ পূৱৰ ভাৰতীয় ইতিহাস সংকলন সমিতিৰ প্ৰমূখ হেমন্ত মজুমদাৰ উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে মহাবিদ্যালয়ত কেইবাটাও কাযসূচীত আজি বিভিন্ন প্ৰতিযোগী সকলে অংশ গ্ৰহণ কৰে ।

# গুৱাহাটী পৌৰ

মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত ৬টাকৈ ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত ই ভি এমসমূহ ৰখা হৈছে। প্ৰথমটো ষ্ট্ৰং ৰুমত ১১ পৰা ১০নং ৱাৰ্ডৰ ৮৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ ই ভি এম, দ্বিতীয় ষ্ট্ৰং ৰুমত ১১ৰ পৰা ২০নং ৱাৰ্ডৰ ১৩১টা ভোটগ্ৰহণ কেন্দ্ৰৰ ই ভি এম, তৃতীয় ষ্ট্ৰং ৰুমত ২১ৰ পৰা ৩০নং বাৰ্ডলৈ ১১৩টা ভোটগ্ৰহণ কেন্দ্ৰৰ ই ভি এম, চতুৰ্থ ষ্ট্ৰং ৰুমত ৩১ৰ পৰা ৪০নং বাৰ্ডলৈ ১৩০টা ভোটগ্ৰহণ কেন্দ্ৰৰ ই ভি এম, পঞ্চম ষ্ট্ৰং কমত ৪১ৰ পৰা ৫০নং ৱাৰ্ডলৈ ১৩৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ ই ভি এম আৰু ষষ্ঠ ষ্ট্ৰং কমত ৫১ৰ পৰা ৬০নং ৱাৰ্ডলৈ সৰ্বমুঠ ১৫৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ ই ভি এম ৰখা হৈছে।২৪ এপ্ৰিলৰ পুৱা ৮ বজাৰ পৰা গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ ভোটগণনা আৰম্ভ হ'ব। লক্ষণীয় যে ২০১৩ চনত অনুষ্ঠিত হোৱা গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত ৪৯ শতাংশ ভোটদান সাব্যস্ত হৈছিল।

# যুদ্ধ আৰু সাহিত্য

পুলিন ডেকা



দুখনকৈ বিশ্বযুদ্ধই যাৰ চিন্তা, বৌদ্ধিক সত্তাক আলোড়িত কৰিছিল, সেইগৰাকী ন'বেল বঁটা প্ৰাপক সাহিত্যিক বাৰ্ট্ৰেণ্ড আৰ্থাৰ উইলিয়াম ৰাছেলে যুদ্ধৰ ভয়ংকৰ স্বৰূপ সাহিত্য মাজেৰে উদ্ভাষিত কৰি গৈছে। তেওঁ কৈছিল যুদ্ধই সিদ্ধান্ত দিব নোৱাৰে কোন সঠিক নাইবা কাক আমি হেৰুওৱাব লাগিব। আধুনিক বিশ্বৰ যুদ্ধৰ মূল কাৰণ হৈছে কোন গৰাকী নেতাই যুদ্ধক সমৰ্থন কৰে তেওঁহে যুদ্ধৰ সূচনা কৰিব পাৰে। কম সংখ্যক নেতা আছে, যিয়ে শান্তি বিচাৰে। ৰাছেলে আধুনিক বিশ্বযুদ্ধৰ প্ৰবল বিৰোধিতা কৰিছিল আৰু তেওঁ ধ্বংসযজ্ঞ সৃষ্টি হোৱাৰ সপেক্ষে নাছিল। আধুনিক যুগৰ সভ্য মানুহে দুই প্ৰকাৰৰ সমস্যাৰ সৈতে সংঘাতত লিপ্ত হৈছে। জ্ঞান আহৰণৰ বাবে প্ৰাকৃতিক শক্তিৰ ওপৰত নিয়ন্ত্ৰণ আহৰণ কৰিব বিচাৰিছে। সামগ্ৰী আৰু অস্ত্ৰ উৎপাদনৰ বাবে দক্ষতাৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰিছে। যুদ্ধ সম্পৰ্কীয় সাহিত্যই আৱেগ-বুদ্ধিমত্তা আৰু জীৱন-মৃত্যুৰ মাজত সীমাবদ্ধ থাকে। সাহিত্যই যেতিয়া অধিক বৌদ্ধিক দিশলৈ গতি কৰে, তেতিয়া আৱেগ, অনুৰাগক অস্বীকাৰ কৰিবলৈ আৰম্ভ কৰে আৰু ই অনুৰ্বৰ, নিস্ফল, নিৰ্বোধ দিশলৈ গতি কৰে কোনো ধৰণৰ বিষয়গত ৰূপ ধাৰণ নকৰাকৈ। সাহিত্যৰ যিবোৰ উপাদানে এগৰাকী লেখকৰ সৃষ্টিশীলতাক অনন্য মাত্ৰা প্ৰদান কৰি আহিছে, সেই উপাদানসমূহৰ মাজত যুদ্ধৰ বিষয়বস্তু অন্যতম। যুদ্ধই অকল ধ্বংসাত্মক দিশেই প্ৰকট নকৰে। অৰ্থনীতি, সংস্কৃতি আৰু মানুহৰ আত্মিক সম্পৰ্কক নিশকতীয়া কৰি তোলে। সাহিত্যৰ ভেটিয়ে হৈছে সমাজ আৰু প্ৰাণীজগত। এখন যুদ্ধই যেতিয়া মানৱতাৰ বদ্ধভূমিলৈ ৰূপান্তৰিত কৰে, তেতিয়া এগৰাকী সৃষ্টিশীল লেখকে সেই ধ্বংসাত্মক স্বৰূপৰ মাজত নিহিত থকা আসুৰিক শক্তিক বিনাশ কৰাৰ মাজেৰে শান্তিৰ অন্বেষণ আৰু পৰৱৰ্তী প্ৰজন্মৰ মাজত যুদ্ধ সম্পৰ্কত এক নেতিবাচক চিন্তাৰ বিয়পাই দি মানসিকতাৰ পৰিবৰ্তন সাধনৰ নিমিত্তে নিজকে নিয়োজিত কৰিব বিচাৰে। তেনে দৃষ্টিভংগীৰে গ্ৰীক, ৰোমান আৰু হিব্ৰু সংস্কৃতিৰ মাজত যিবোৰ সাহিত্যৰ সূচনা হৈছিল, তাৰ মাজত যুদ্ধৰ বিষয়বস্তুক লৈ সাহিত্যৰ উন্মেষ সাধন হোৱা দেখিবলৈ পোৱা যায়।

ধ্ৰুপদী যুগৰ পৰাই যুদ্ধই সমাজ জীৱনক পৰ্যুদস্ত কৰি আহিছে। মহাভাৰতৰ যুদ্ধৰ আলমতে সৃষ্টি হৈছিল ধ্ৰুপদী গ্ৰন্থ মহাভাৰত। যিয়ে মানৱ সমাজলৈ শান্তিৰ অনন্য বাৰ্তা প্ৰেৰণ কৰি

(আঠপৃষ্ঠাত চাওক)

# অচিন আকাশ


সংগীতা মাইনা ডেকা, ৰঙিয়া



উন্মাদনাত অংকুৰিত বীজ হে,
বিষাক্ত আল্পনাৰে অংকিত তাৰ উকা পথাৰখন
জন্মসূত্ৰে পাইছে সি,
বিষাক্ত সময়ৰ উপহাৰ
বিষময় তাৰ জীৱন... !
যোগ্যতাৰ পৰিমাপণ কৰি কিয় নাচায় সি ?
অমৃত পাবলৈ ইমান উত্ৰাৱল হৈ,
জানো কিবা লাভ আছে ?
অমাৱস্যাৰ কান্ধত ধৰি চন্দ্ৰক চুব খোজে,
সেই চহকী ভিকহুৱে
হৃদয়ৰ আশাবোৰ চোন সুৰুঙাৰে সৰকি পৰে
সেয়া বাধা দি ৰাখিব পৰা,
শক্তিৰ অধিকাৰী হ'ব পাৰিলেনে ভয়াতুৰ ধৰণীৰ বোজাটোৱে ?
সপোনবোৰ তাৰ ছবি হৈ লুকাই থাকে হেনো
বুকুৰ পৃষ্ঠাত... !
কাহিনী হৈ পৰি ৰয় স্মৃতিৰ কোলাত... !
তথাপিও নিলাজে মিছা হাঁহি মাৰে এই মানৱৰণ্যত
ৰঙা বেলিৰ সান্নিধ্য পোৱাৰ আকাংক্ষাক
কবৰ দিলে সি ৰক্তাশয়ৰ গোপন কোঠালিত
কেতিয়াবায়ে... !
কৃত্ৰিম স্নিগ্ধতাই, মন কেনেকৈ নো জুৰাব তাৰ ?
ক্ষণ গণি আছে মাথোঁ...
অঁ অ', ক্ষণ গণি আছে... !
অচিন আকাশৰ সিপাৰে নিথৰ হৈ জীয়াই থকালৈ...

# আকাশ চুবৰ মন

কবিতা শৰ্মা, গুৱাহাটী



আপুনি সপোন দেখেনে? নিদ্ৰাৰত অৱস্থাত স্বতঃস্ফূৰ্ত ভাবে প্ৰবেশ কৰা ক্ষণস্থায়ী আহি গুচি যোৱা, কেতিয়াবা মনত থকা, কেতিয়াবা পাহৰি যোৱা সেই সপোনবোৰৰ নহয় কৈছো- সেই সপোনবোৰৰ কথা যাক আমি খোলা চকুৰে দেখো... যাক আমি অহৰহ আমাৰ মনৰ মাজত প্ৰতিপালন কৰো। সেই সপোনবোৰ.... যি আমাৰ জীৱনলৈ অহা প্ৰতিটো ধুমুহা বতাহ নেওচি প্ৰতিনিয়ত আমাক লক্ষ্যত উপনীত হবলৈ অনুপ্ৰেৰণা যোগায়...আনকি মৃত্যুৰ আগমুহূৰ্ত্তলৈ যি আমাক জীয়াই থকাৰ শক্তি দিয়ে কৈছো সেই সপোনবোৰৰ কথা....

সচা অৰ্থত কবলৈ গলে পৃথিবীত এনে মানুহ হয়তো কমেই আছে, যি সপোন নেদেখে। সপোন আমি সকলোৱে দেখো। পৃথিবীৰ সফলতম ব্যক্তি সকলৰ মাজত নিজৰ নামটো দেখা পোৱাৰ কামনা কৰো। সেই সপোনটোৰ মাজতে অতিবাহিত হয় আমাৰ দিন আৰু ৰাতি। অকলশৰে সেই সপোনটোৰ মাজতে আমি জীয়াই থাকো। সফলতা প্ৰাপ্তিৰ মধুৰস পান কৰো। প্ৰাৰ্থক্য মাথোঁ ইমানেই যে কিছুমানে যদি সপোন দেখে সাহসেৰে, কিছুমানে পৃথিবী খনৰ পৰা লুকুৱাই। আমাৰ ভয় লাগে মনত পুহি ৰখা সেই সপোনটোৰ কথা কবলৈ। কাৰণ সৰুৰে পৰা আমাক এই কথা শিকোৱা হয় যে ভৰিখন সিমানেই মেলিবা যিমান দীঘল তোমাৰ চাদৰ খন। কোনেও আমাক এই কথা নকয় যে একাগ্ৰতা, সাহস, পৰিশ্ৰম, দৈনিক অণুশীলন আৰু আমাৰ বিবেক-বুদ্ধিৰ সহায়ত আমি চাদৰ খন আৰু অলপ দীঘল কৰি লব পাৰোঁ। আমাৰ ভয় কিজানি আমাক কোনোবাই হাঁহিব... আমাৰ যোগ্যতা আৰু সামৰ্থ্য মনত পেলাই দিব। হয়তো এদিন আমাৰ জীৱনলৈ এনে এটা সময় আহি পৰিব যে আমাৰ নিজৰ ওপৰতে বিশ্বাস হেৰাই যোৱাৰ উপক্ৰম হব বৰ্তমানৰ স্থিতিৰ পৰা সেই সপোন পূৰ্ণ হোৱা অসম্ভৱ যেন লাগিব যেনেকৈ পৃথিবীৰ সমতলৰ পৰা পৰ্বতৰ চূড়াত আৰোহণ কৰাটো অসম্ভৱ যেন লাগে। কিন্তু এয়া জানো আমাৰ কাম্য হোৱা উচিত ? সুপৰিকল্পনা, ধৈৰ্য, সাহস, আত্মবিশ্বাস, সততা আৰু সাহসেৰে এই অসম্ভৱ যেন লগা কথাবোৰো সম্ভৱ হৈ পৰে। সেয়ে যদি নহয় সেই সপোন আমি দেখিলো হয়েই বা কিয়? হয়তো সপোনৰ ৰূপত ভগবানে আমাৰ

(আঠপৃষ্ঠাত চাওক)

# সুখ আৰু সাফল্য

সংযুক্তা দত্ত, দেৰগাঁও





সুখ আৰু সাফল্য একে নহয়। সুখ দেখুৱাব নোৱাৰি কিন্তু সাফল্য দেখুৱাব পাৰি। সুখ মানে হ'ল -আপুনি যি বিচাৰে সেয়া পোৱা। আৰু সাফল্য হ'ল- আপুনি যি বিচাৰে সেয়া অৰ্জন কৰা। সুখ মুহূৰ্ততে পাব পাৰি আৰু সাফল্য মুহূৰ্ততে পাব নোৱাৰি। সুখ আপুনি নিজৰ মন পছন্দৰ কাম কৰিও পাব পাৰে, কাৰোবাক সহায় কৰিও পাব পাৰে। আৰু কেতিয়াবা একো নকৰিও সুখী থাকিব পাৰে। কিন্তু সাফল্য পাবলৈ হ'লে সংঘৰ্ষ কৰিব লাগিব, পৰিস্থিতিৰ লগত খাপ খাব লাগিব আৰু ধৈৰ্য্য ধৰিব লাগিব। আমি এজন মানুহক দেখি ক'ব পাৰো যে তেখেত এজন সফল ব্যক্তি। কিন্তু এইটো ক'ব নোৱাৰো যে তেখেত এজন সুখী ব্যক্তি। কাৰণ-সুখ নিজেহে অনুভৱ কৰিব পাৰে। কেতিয়াবা মানুহ সফল হৈয়ো সুখী হ'ব নোৱাৰে। আৰু সুখী হৈয়ো সফল হ'ব নোৱাৰে। সেয়া সুখ হ'ল সফলতাৰ বাবে কৰা অসাধ্য কষ্ট, চেষ্টা, ত্যাগ আৰু ধৈৰ্য্যৰ দ্বাৰা। যদিহে এইখিনি কাম ভালদৰে কৰিছিলো বুলি নিজৰ ওপৰত আত্মবিশ্বাস থাকে। তেনেহ'লে সফল নোহোৱাকৈও সুখী থাকিব পাৰি।

# সপ্তম ভাৰত ঔদ্যোগিক

খণ্ডটোৰ নতুন উদ্যোগীসকলক সহায় কৰাৰ লগতে বজাৰত নতুন আৰু উদ্ভাৱনীমূলক সামগ্ৰীৰ বাবে সম্ভাব্য ক্ৰেতাসকলৰ মাজতো নতুন উৎসাহ যোগাবলৈ সমৰ্থ হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- উদ্যম-২২ৰ দৰে পদক্ষেপসমূহৰ জৰিয়তে ষ্টাৰ্টআপবোৰে এটা নতুন দিশেৰে আগুৱাই যাবলৈ সক্ষম হ'ব। এনেধৰণৰ মঞ্চই উৎপাদকসকলক সম্ভাব্য ক্ৰেতাৰ সৈতে সংযোগ কৰি বিশ্বত এম এছ এম ই খণ্ডৰ শক্তিশালী বিকাশ সম্ভৱ কৰি তুলিব। এম এছ এম ই খণ্ডই ইয়াৰ সম্পূৰ্ণ সম্ভাৱনীয়তা বিকশাই তুলি খণ্ডটো নতুন উচ্চতালৈ নিয়াৰ ক্ষেত্ৰত প্ৰত্যাহ্বানসমূহ গ্ৰহণ কৰিব পৰা নিৰ্ভীক উদ্যোগীৰ এই খণ্ডত প্ৰৱেশৰ প্ৰয়োজনীয়তা যথেষ্ট আছে। মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত এম এছ এম ই খণ্ডৰ ভূমিকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- দেশত যুৱক-যুৱতীসকলৰ বাবে সম্পদ আৰু নিযুক্তিৰ সুযোগ সৃষ্টিৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণত এই খণ্ডই যথেষ্ট অৱদান আগবঢ়াইছে। ইয়াৰ বাবে মই এই উদ্যোগখণ্ডৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁ কয়- এম এছ এম ই খণ্ডই ৰাজ্যৰ ঘৰুৱা উৎপাদনৰ ২৯ শতাংশ অৰিহণা যোগায়। মুখ্যমন্ত্ৰীয়ে এইউদ্যোগটোৰ অগ্ৰণী উদ্যোগপতিসকলক অসম তেওঁলোকৰ আটাইতকৈ পছন্দৰ বিনিয়োগৰ লক্ষ্যস্থান হিচাপে গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বিশ্ব ধৰিত্ৰী দিৱস উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উদ্যোগত আৰু ইউনিভাৰ্চিটি অৱ চাইন্সএণ্ড টেকনলজি, মেঘালয়ৰ সহযোগত এমঅইউৰ অংশ হিচাপে বিশ্ব ধৰিত্ৰী দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভণি কৰে অধ্যক্ষা ড° শিখামণি কোঁৱৰৰ আদৰণি ভাষণেৰে। আদৰণি ভাষণত ড° কোঁৱৰে ধৰিত্ৰী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী সহকাৰী অধ্যাপক ভাষ্যজ্যোতি তালুকদাৰে প্ৰকৃতিৰ ভাৰসাম্যতাৰ বিষয়ে বক্তব্য দাঙি ধৰে। ইউএছটিএমৰ সহকাৰী অধ্যাপক কিটবকলাং চুনে অনুভূমিক বা ওলমা বাগিচাৰ প্ৰয়োজনীয়তা তথা ব্যৱহাৰৰ বিষয়ে বক্তব্য দাঙি ধৰে। ধৰিত্ৰী দিৱসৰ লগত সংগতি ৰাখি কিছু গছৰ পুলি ৰোপন কৰা হয়। লগতে মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰকৃতিৰ বিষয়ে অংকন কৰা চিত্ৰৰ এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। অনুষ্ঠানত ইউএছটিএম আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ইউএছটিএমৰ আৰ্থ চাইন্স বিভাগৰ অধ্যাপিকা ড° কংকনা বৰাই।

# জনপ্ৰিয়তাৰ ভূতে মানুহবোৰক খেদি ফুৰিছে

নন্দেশ্বৰ মিলি



বৰ্তমান সময়ত মানুহবোৰক জনপ্ৰিয়তাৰ ভূতে পাইছে বুলি ক'ব পাৰি। অৰ্থাৎ জমপ্ৰিয়তা লাভ কৰিবলৈ সকলোৰে মন মেলে। মানুহে নিজকে জনপ্ৰিয়তা হ'ব বিচৰা মানসিকতা কোনো দোষণীয় বা অপৰাধী কাম নহয়। কিন্তু জনপ্ৰিয়তাৰ আশাত অন্ধ অনুসৰণকৰাটো সমৰ্থনযোগ্য নহয়। আচলতে জনপ্ৰিয়তা লাভৰ কাৰণে নহয়, কামৰ বাবে জনপ্ৰিয়তা লাভ কৰাটো বেছি গ্ৰহণযোগ্য। উদাহৰণ স্বৰূপে যাদৱ পায়েঙে কোনো জনপ্ৰিয়তা, বঁটা-বাহন, পুৰস্কাৰ লাভৰ আশাত বনাঞ্চল পতা নাছিল। তেওঁ বন্য জীৱ-জন্তু থাকিবলৈ, প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ হেতুকে সেই বনাঞ্চল পাতিছিল । শেষত যেনিবা তেওঁক সকলোৱে চিনি পালে আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো তেখেতক সকলোৱে বহু বঁটা- বাহন দিলে। ঠিক তেনেকৈ শচীন তেণ্ডুলকাৰ কোনো জনপ্ৰিয়তাৰ আশাত ক্ৰিকেট খেলা নাছিল। তেওঁৰ নিজৰ প্ৰতিভা, অধ্যাৱসায়, কষ্টৰ বলত ক্ৰিকেটৰ পথাৰত আকাশ চুলেগৈ আৰু জনপ্ৰিয়তা বাঢ়িল। কিন্তু বৰ্তমান সময়ত আমাৰ সমাজত কামতকৈ জনপ্ৰিয়তাৰ আশাত মাৰাথন দৌৰ মৰা লোক বেছি দেখিবলৈ পাওঁ। আজি-কালি ছ'চিয়েল মেডিয়াৰ যুগত মানুহবোৰে সস্তীয়া জনপ্ৰিয়তা লাভ কৰিবলৈ বিভিন্ন কামত লিপ্ত হোৱা দেখা যায়। নিজে জনপ্ৰিয়তা লাভৰ বাবে বিভিন্ন প'জ দি ছেলফী উঠে। সেই ছেলফী আকৌ কিছুমান বিপদজ্জনক ঠাইত গৈ উঠে। যাৰ ফলত কিছুমানৰ অকালতে প্ৰাণ যোৱাৰো অঘটন ঘটে। আকৌ কিছুমানে কোনো বিখ্যাত লোকৰ লগত ফটো উঠে। অধিক লাইক-কমেণ্ট পোৱাৰ আশাত এনেবোৰ কাৰ্য কৰে। কিন্তু কোনো নিজে কাম নকৰি অথবা প্ৰতিভা বিকাশ নকৰাকৈ কোনো বিখ্যাত লোকৰ লগত ছেলফী বা ফটো উঠি ঢোলৰ লগত টেমেকাৰ দৰে অৱস্থা কৰি জনপ্ৰিয়তা পাব বিচৰা কাৰ্যটো হাঁহিয়তৰ পাত্ৰহে কৰি তোলে। আকৌ কিছু লোকে নিজৰ সম্পৰ্কীয় বা চিনাকি কোনোবা ভাল মানুহ থাকিলে তাৰ বিষয়ে কৈ নিজকে জহাই ফুৰি জনপ্ৰিয় হ'ব বিচৰা কাৰ্যটো সস্তীয়া জনপ্ৰিয়তা বিচৰাৰ অন্যতম এটা উদাহৰণ। কিছুমানে দুটা-তিনিটা কবিতা বা প্ৰবন্ধ বা গল্প লিখি কোনো পৈণত নোহোৱাকৈ কিতাপ প্ৰকাশ কৰি কোনো বিখ্যাত লোকক কেনেবাকৈ হাত কৰি তেওঁলোকৰ দ্বাৰা উন্মোচন কৰোৱা হয় বা তেনে কিতাপসমূহ বিভিন্ন মাধ্যমৰ যোগেদি ভাল বুলি প্ৰচাৰ কৰি শেষত পাঠকক ৰামঠগন দি লেখকৰ জনপ্ৰিয়তা লাভ কৰা কাৰ্যটো একপ্ৰকাৰৰ তেনে উদাহৰণ। যাৰ ফলত ভাল ভাল লেখকৰ লেখাৰ পাঠক নোহোৱা বুলি মাজে-সময়ে শুনিবলৈ পোৱা যায়। আচলতে প্ৰচাৰৰ বলত জনপ্ৰিয় হ'ব বিচৰা লেখকৰ কিতাপ সমূহ পাঠকে কিনি পঢ়াৰ পিচত যেতিয়া ৰস পোৱাত বঞ্চিত হয় তেওঁলোকে দ্বিতীয় বাৰ বেলেগ ভাল লেখকৰো কিতাপ কিনি পঢ়াৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়। অকল কিতাপে নহয়, বিভিন্ন ক্ষেত্ৰ যেনে-গীত, কবিতা, চিনেমা, নাটক আদি বিভিন্ন ক্ষেত্ৰটো সেইবোৰ পৰ্যায় চলি অছে। তেনে সস্তীয়া জনপ্ৰিয়তা বিচাৰি এচামে কৰা অবিবেচকী কাৰ্যই বিভিন্ন ক্ষেত্ৰটো সংকটো নমাই আনিছে। অৱশ্যে এটা সময়ত সামাজিক জনপ্ৰিয়তা লাভ কৰিলেও কিন্তু সেইবোৰ এসময়ত নাইকিয়া হৈ পৰিব। কিন্তু ভাল বস্তুসমূহৰ জনপ্ৰিয়তা নাথাকিলেও দীৰ্ঘজীৱী হৈ থাকিব। জনপ্ৰিয় সকলো বস্তু আচলতে গুণগত দিশত উন্নত নহ'বও পাৰে। সস্তীয়া বিসয়বস্তুক লৈ ৰচনা কৰা অথচ প্ৰচাৰৰ দ্বাৰা তাৰকাৰ দৰে পৰ্যায় সৃষ্টি কৰা বস্তুসমূহ সমাজত কোনো ভাল প্ৰভাৱ পেলাব নোৱাৰে। তেওঁলোকে সমাজত এক সস্তীয়া ঢৌৰ সৃষ্টি কৰে আৰু মানুহৰ ৰুচিসমূহত নেতিবাচক প্ৰভাৱ পেলায়। সেইবোৰৰ ফলত সমাজৰ নৱপ্ৰজন্মসকলেও উদণ্ড, বেপৰোৱা মনোভাৱ, অপসংস্কৃতি আদিৰ প্ৰতি ধাবিত হয়। নিজৰ ঐতিহ্য বহন কৰা চহকী সংস্কৃতিসমূহৰ প্ৰতি উদাসীন হৈ বাহিৰৰ জাকজমকতাৰে ভৰা সস্তীয়া উপাদানসমূহক আঁকোৱালি ল'ব খোজে। লগতে কৰ্মসংস্কৃতি, কষ্ট কৰাৰ মনোবৃত্তি, ধৈৰ্য আদি গুণবোৰ তেওঁলোকৰ নাথাকে। জনপ্ৰিয়তা জোৰ কৰি পোৱা বস্তু নহয় আথবা জনপ্ৰিয়তা কিনি বা ধন-সম্পদ দি লাভ কৰা

( নপৃষ্ঠাত চাওক)

# সংৰক্ষণৰ অভাৱত ঐতিহাসিক আৰিমত্ত গড়

জয়ন্ত কলিতা তুলসীবাৰী




প্ৰাচীন অসমত নিৰ্মিত ঐতিহাসিক কীৰ্তিচিহ্ন সমূহৰ ভিতৰত কামৰূপৰ বৃহত্তৰ ৰঙিয়া সমষ্টিৰ অন্তৰ্গত আৰিমত্ত কিম্বা বৈদ্যগড় প্ৰাচীন অসমৰ এক অন্যতম কীৰ্তিচিহ্ন। বুৰঞ্জীৰ তথ্য অনুসৰি, গৌড় ৰাজকুমাৰ পাল সেনাপতি বৈদ্যদেৱে কামৰূপৰ পশ্চিম অংশ জয় কৰি কমতাপুৰ নামে সুকীয়া স্বাধীন ৰাজ্য ঘোষণাৰে নিজৰ ৰাজ্য ৰক্ষাৰ বাবে ১১৪২ খ্ৰীষ্টাব্দত বেতনাত ৰাজধানী পাতে। সেই অনুসৰি গড়টো পূৱৰ পৰা পশ্চিমলৈ ছয় মাইল দৈৰ্ঘ আৰু উত্তৰৰ পৰা পৰা দক্ষিণলৈ প্ৰায় চাৰি মাইল প্ৰস্থৰে নিৰ্মাণ কৰে সমসাময়িক ৰজাগৰাকীয়ে। ১১৩৮ খৃষ্টাব্দৰ পৰা ১১৮৫ খৃষ্টাব্দলৈ কামৰূপ তথা প্ৰাগজ্যোতিষপুৰত ৰাজত্ব কৰা ৰজা বৈদ্যদেৱে পোনপ্ৰথমে নিৰ্মাণ কৰোৱাইছিল ঐতিহাসিক গড়টো। যাৰ বাবে গড়টো বৈদ্যগড় নামেৰে জনাজাত । একাংশৰ মতে, আকৌ গড়টো পৰৱৰ্তী সময়ত জিতাৰি বংশৰ ৰজা আৰিমত্তই পুনৰ নিৰ্মাণ কৰোৱাৰ বাবে আৰিমত্ত গড় নামেৰেও জনাজাত।গুৱাহাটীৰ পশ্চিমত ৰামচন্দ্ৰ নামৰ এজন ৰজা আছিল। এওঁৰে পুতক ৰজা আৰিমত্তই পৰৱৰ্তী সময়ত ১৩৬৫ খ্ৰীষ্টাব্দত গড়টো পুনৰ নিৰ্মাণ কৰি ৰাজধানী বেতনাৰ পৰা আয়ত আকাৰ গড়ৰ ভিতৰলৈ অৰ্থাৎ বৰ্তমানৰ ৰঙিয়ালৈ স্থানান্তৰ কৰে। ১২ খন ৰাজহ গাঁৱেৰে ভৰা গড়টোৰ পৰিসীমাৰ মুঠ মাটিকালিৰ পৰিমাণ ২৮, ৯৬০ বিঘা, ৯ কঠা, ১৬ লেচা। কিন্তু কেইবা শতিকা পুৰণি সেই গড় আজি ধ্বংসৰ গৰাহত। স্থানীয় লোকৰ মতে পূৰ্বতে গড়টোৰ উচ্চতা আছিল প্ৰায় ৬০-৭০ ফুট আছিল। ১৮৯৭ চনৰ বৰ্ভুইকঁপত এই গড়টো বহুখিনি তললৈ বহি যায় যদিও আজিও ঠায়ে ঠায়ে এই গড়টোৰ উচ্চতা ২০-৩০ ফুট মানলৈহে পোৱা যায়। ইয়াৰ ওপৰিও ভাৰত-ভুটান আন্তঃৰাষ্ট্ৰীয় ঘাইপথে কেইবাঠাইতো প্ৰচ্ছেদ কৰা গড়টোৰ পৰা প্ৰায়ে স্থানীয় ৰাইজৰ লগতে অন্য লোকে মাটি কাটি লৈ যায়। নিশাৰ এন্ধাৰৰ সুযোগ গ্ৰহণ কৰি গড়টোত থকা বহু পুৰনি ঔষধি গছ মুল্যবান গছসমূহ এচাম লোভি মানুহে কাটি লৈ যায়। নিজৰ ঘৰৰ ভেটি নিৰ্মাণ কৰা তথা কেচা ঘৰত মাটিৰ লেপ দিবলৈ ইয়াৰ কাষৰীয়া লোক সকলে প্ৰতি দিনে গড় টোৰ কাষে কাষে ডাঙৰ ডাঙৰ সুবৃহৎ গাত খান্দি মাটি নিব ধৰিছে।

( নপৃষ্ঠাত চাওক)

# বিদ্যালয়ত মিলন

নিতিষ্মান দাস, সপ্তম শ্ৰেণী



করুণাৰ বাবে বিদ্যালয় হেৰাল,
নুবুজা সাঁথৰ আৰু এটি মায়াজাল।
ঈশ্বৰক যেন জনাইছিলোঁ শত কৌটি প্ৰণাম,
এইটো আশা লৈ যে পুনৰ বিদ্যালয় যাম।
সচাকৈ ! কেনে আছিল সেই দিনবোৰ,
শুনিছিলোঁ কৰুণ কান্দোনৰ সুৰ।
ঈশ্বৰে যেন শুনিলে এই মিনতি,
বিদ্যালয় পুনৰ যেন হ'ল আৰম্ভণি।
বিদ্যালয়খনি যেন নিমাত হৈ আছিল,
ছাত্ৰ ছাত্ৰীৰ যেন সেই মাত হেৰাইছিল।
বিদ্যালয় গৈ মই অনুভৱ কৰিছো,
বিদ্যালয়ে যেন কিবা কৈছে, এনে শুনিলোঁ।
বিদ্যালয়ে কৈছে যেন সেই দিনবোৰৰ কথা,
নিজান নিমাত হৈ আছিল দেৱাল মজিয়া।
মজিয়াত যেন নাই ছাত্ৰ ছাত্ৰীৰ খোজবোৰ,
দেৱালবোৰৰো যেন পৰা নাই হিয়া জোৰ।
মোক প্ৰতিটো বস্তুৱে যেন প্ৰশ্ন কৰিছে,
কেনে লাগিছিল আমাৰ বাৰু জানানে ?
প্ৰতিটো উশাহ আৰু প্ৰতিটো কথাতে যেন প্ৰশ্ন আছিল,
ছাত্ৰ ছাত্ৰীক দেখি যেন অতি আনন্দিত হৈছিল।
বন্ধুবৰ্গক কত দিনৰ পাছত দেখা পালোঁ,
শ্ৰদ্ধাৰ শিক্ষকৰো যেন মাত শুনিলোঁ।
কিমান যে মধুৰ এই বিদ্যালয়ত মিলন,
বিদ্যালয়ৰ হাততে আছে আমাৰ জীৱন।
কৰুণা ভাই আৰু কেতিয়াও নাহিবি,
ছাত্ৰ ছাত্ৰীৰ জীৱন ধ্বংস নকৰিবি।

১০ বহাগ, ১৪২৭ চন Rongili Barta, Date of Publication-- 24 April, 2022

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# মহিলা সবলীকৰণত অগ্ৰাধিকাৰ

## আইন সংশোধনীৰে সাজু চৰকাৰ

উদ্দেশ্য | প্ৰশাসন তন্ত্ৰত মহিলা প্ৰতিনিধিৰ সক্ৰিয় অংশগ্ৰহণৰ হাৰ বৃদ্ধি



**অসম পৌৰ আইন, ১৯৫৬ ৰ সংশোধনী মৰ্মে**

সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ১০ বছৰৰ মহিলা সংৰক্ষণৰ ম্যাদ নিৰ্ধাৰণ

**গুৱাহাটী পৌৰ নিগম আইন, ১৯৬৯ৰ সংশোধনী মৰ্মে**

নিগম কাউঞ্চিলৰৰ প্ৰত্যক্ষ নিৰ্বাচনত মহিলা সংৰক্ষণৰ কাৰ্যকাল ১০ বছৰলৈ বৃদ্ধি

JANASANYOG- 276/22



১০ ডিচেম্বৰ, ২০২১ৰ অসম কেবিনেটৰ সিদ্ধান্ত অনুসৰি

পঞ্জীয়ন কৰক assam.mygov.in | /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

# আকাশ চুবৰ মন

অন্তৰত এক সত্যৰ বীজ ৰোপণ কৰিছে। এতিয়া এয়া আমাৰ ওপৰত নিৰ্ভৰ কৰিব যে আমি নিজৰ শ্ৰমেৰে ৰ'দ-বৰষুণ, বতাহ ধুমুহাৰে যুঁজ দি সেই বীজক বিশালকায় গছলৈ পৰিৱৰ্তন কৰিম নে নিজৰ ভিতৰতে দবাই মোহাৰি মাৰি পেলাব বিচাৰিম। যদি সময় থাকোতে নকৰো তেতিয়া হ'লে হয়তো কেতিয়াও কৰা নহব । আৰু এদিন নিজৰ সপোনটোকে বুকুত বান্ধি অকলশৰে কন্দাৰ বাহিৰে গত্যন্তৰ নাথাকিব। যিকোনো সফল ব্যক্তিৰ জীৱনী পঢ়িলে এই কথা সহজে বুজিব পৰা যায় যে তেওঁলোকে ভৰি মেলিব পৰাকৈ তেওঁলোকৰ চাদৰ খন ইমান দীঘল আৰু আহল বহল কৰি পেলালে যে তাত পৃথিৱী খনৰ সৈতে সম্পূৰ্ণ আকাশ খনেই সোমাই পৰিল.... এই কথা সচা যে সপোন দেখাৰ এই যুঁজখনত বহুতো প্ৰতিবন্ধকতা আছে। কিছুমান যদি চিনাকী, কিছুমান অচিনাকী ৰূপত... কিছুমান যদি ছদ্মবেশী, কিছুমান নগ্ন ৰূপত... আমাৰ সপোনৰ গন্তব্যস্থলত উপনীত হব পৰাকৈ আমি যিটো পথ বাচি লম হয়তো সেইটোৰেই কেতিয়াবা ধুসৰ হৈ পৰিব। কেতিয়াবা হয়তো জীৱনে এনে খেল খেলিব যে আমাৰ প্ৰিয় সেই পথটোতেই পদে পদে অনিশ্চয়তা আহি পৰিব। বাট বুলোতে হয়তো আমি বাৰে বাৰে উজুটি খাম, হালি পৰিম। পৰিম..উঠিম...বগুৱা বাই বাই আগবাঢ়িম...সেয়া কোনো ডাঙৰ কথা নহয়। পৰিলেহে উঠিবলৈ শিকা হয়। মানুহ কেনেকৈ হাৰি হাৰি জিকি যায় তাৰ অসংখ্য উদাহৰণ পৃথিৱীৰ অ'ত -ত'ত সিচৰিত হৈ আছে। সেই বাবেই আমি জীৱন যুঁজৰ যুঁজাৰু... সফলতাৰ প্ৰথম চৰ্তই হ'ল সাধনা, সাধনাৰ বাবে লাগে সাহস আৰু আত্মবিশ্বাস... প্ৰখ্যাত মানবতাবাদী এ.পি.জে আব্দুল কালামে কৈছিল- জীৱনৰ সমস্যা আৰু ঘাত-প্ৰতিঘাতে আমাৰ জীৱনটো বিকাশ কৰাৰহে সুযোগ দিয়ে। সেয়ে যেতিয়া আমাৰ মাজৰ পৰা আশা আৰু সপোন বোৰ হেৰাই যোৱাৰ উপক্ৰম হয় আৰু যেতিয়া আমি লক্ষ্য প্ৰাপ্তিৰ পৰা বঞ্চিত হব লগীয়া পৰিবেশৰ সৃষ্টি হয়, তেতিয়া সেই কঠিন তথা ধ্বংসময় পৰিবেশতো আমি নিজ বিকাশৰ লুপ্ত শক্তিক পুনৰ বিচাৰি পাব পাৰোঁ। তেওঁ কৈছিল মানুহৰ শ্ৰেষ্ঠ আৰু দায়িত্বপূৰ্ণ কৰ্মৰাজিৰ বাবে নিজৰ সামৰ্থ্যৰ লগতে কেতিয়াবা অদৃষ্ট শক্তিৰ সহায়ৰ প্ৰয়োজন হয়। আমাৰ জীৱনত সেই অদৃষ্ট শক্তিৰ সংযোগ হব পাৰে বিভিন্ন প্ৰকাৰে...কেতিয়াবা কোনো এজন সজ ব্যক্তিৰ সান্নিধ্য বা পৰামৰ্শৰে, কোনো ইতিবাচক আলোচনাৰে এখন বিশেষ ফটো বা এটা দৃশ্যৰে... কেতিয়াবা হয়তো অন্তৰ চুই যোৱা এটা কবিতাৰ শাৰীয়েও আমাৰ অন্তৰাত্মাৰ লগত সংযোগ স্থাপন কৰি জীৱনৰ সেই কঠিন মুহূৰ্তবোৰ পাৰ কৰাৰ কৌশল আমাক দিয়ে। অন্তৰাত্মাৰ পৰা সৃষ্টি হোৱা মানুহৰ প্ৰবল আৰু পবিত্ৰ ইচ্ছা তথা লক্ষ্য কেতিয়াও অসম্পূৰ্ণ হৈ নৰয়.... সপোন দেখাৰ কোনো বয়স বা পৰিধি নাই। আজীৱন মানুহে সপোন দেখিব পাৰে। সপোন হব পাৰে যি কোনো স্তৰৰ . সপোন যিমানেই ডাঙৰ হব, প্ৰাপ্তিও সিমানেই বিশাল হব। হয়তো কোনোবাই প্ৰশ্ন কৰিব- তুমি কিয় সেই শিখৰত বাস কৰা য'ত ঈগল চৰায়ে বাহ সাজে? তেতিয়া হলে উত্তৰত নিশ্চয় কম... আচলতে মই এই ধৰাতেই বাস কৰোঁ, মোৰ মনটোহে সেই শিখৰত বাস কৰে... য'ত পৃথিৱীৰ কলুষতাই স্পৰ্শ কৰিব নোৱাৰে স্থ কাৰণ লক্ষ্য প্ৰাপ্তিৰ বাবে পৃথিৱীৰ কোলাহলৰ পৰা মুক্ত হৈ সেই উচ্চতাত মন গলেহে বিচৰণ কৰিব পাৰি আৰু মন গলেই উভতি আহিব। পাৰি। কাৰণ মোৰ শৰীৰটো এই পৃথিৱীতেই থাকে... এই কথা আমি সকলোৱে নিশ্চয় অনুভৱ কৰিব পাৰো যে আমাৰ জীৱনত সন্তাপ যিমন... উত্তাপো সিমান। জীৱনৰ সেই উত্তাপকে সাৰথি কৰি আমি আমাৰ সপোনৰ দিশে আগবাঢ়ি যাব লাগিব। কাৰণ সফলতা আমাৰ কাষলৈ নহয় আমিহে সফলতাৰ ফালে আগবাঢ়ি যাব লাগিব। জীৱনক লৈ হা- হুমুনিয়াহ কাঢ়ি থকা আমাৰ উচিত নহয় । কাৰণ প্ৰতিবন্ধকতা বোৰো জীৱনত কেতিয়াবা বিৰাট সৌভাগ্য হিচাপে বিবেচিত হয়। সচা অৰ্থত জীৱনটো সেই সকলৰ বাবে যিসকলে নিজৰ জীয়া সপোনৰ মাদকতাত ডুব যায়... অহৰহ বিশ্বাস ৰাখে নিজৰ সপোনৰ সৌন্দৰ্যত.. ৰাতি যাপন কৰে সপোনৰ কোলাত ৰাতি যাপন কৰিও অতি নিদ্ৰা যাৰ কাম্য নহয়। কাৰণ সপোন সেয়া নহয়, যি আমি শুই শুই দেখোঁ .. সপোন সেয়াহে যি আমাক শুবলৈ নিদিয়ে....

সপোন দেখা পৃথিৱী খনৰ বাবেও সঠিক। পৃথিৱীৰ প্ৰতিটো আবিষ্কাৰ বা ৰোগ নিৰাময়ৰ বিধিও এই সপোন বোৰৰে সৃষ্টি। এই পৃথিৱীত মানুহেই হৈছে সপোন দিঠকত পৰিনত কৰিব পৰা একমাত্ৰ শিল্পী। গতিকে আহক আমি সকলোৱে সপোন দেখোঁ। সপোন দেখো গৌৰবেৰে জীয়াই থকাৰ সপোন দেখো মৃত্যুৰ পাছতো এই পৃথিৱীৰ বুকুত আমাৰ চিহ্ন ৰাখি থৈ যোৱাৰ সফলতাৰ বাবে জীৱনলৈ সুযোগ অহালৈ অপেক্ষা নকৰি নিজেই সেই সুযোগ সৃষ্টি কৰি লও আহক...

# জীৱন

নিলাক্ষী শৰ্মা
দক্ষিণ পাট সত্ৰ, নগাঁও



জীৱনক লৈ কিযে অনুভৱ
বুজিব ই নোৱাৰি দেখোন,
কেতিয়াবা লাগে আপোন আপোন
কেতিয়াবা লাগে আমনি।
কিমান জিয়াই থাকিম আৰু ?
ভালকৈ ভাবিলে এনেকুৱা লাগে
সদায় দেখোন আনৰ আশ্ৰয়ত ।
সৰুতে মা দেউতাৰ
এতিয়া স্বামী দেৱতাৰ।
নিজৰ কাৰণে ভাবিবলৈ দেখোন সময়েই
নাপাওঁ।
মই কি ভাল পাওঁ পাহৰিয়ে গলো
মোৰ লৰাই কি ভাল পায়
মানুহ জনে কি ভাল পায় সেয়া মনত
ৰাখোতেই যায়
জিয়াই থাকোঁতে এনেকুৱা লাগে
যেন মই নহ'লে নহ'ব।
মই নাথাকিলে জানো চন্দ্ৰ সূৰ্য ই
নোলাও বুলি ক'ব
দিন ৰাতি জানো নহ'ব
তেতিয়া হ'লে কিহৰ ইমান ব্যস্ততা
তথাপি, ল'ৰাই যেতিয়া মা বুলি মাতে
সকলো ভাগৰ নাইকীয়া হৈ যায়
এনে লাগে যেন জীৱন এক মিঠা অনুভৱ।

# যুদ্ধ আৰু সাহিত্য

গৈছে। আকাডিয়ানে লিখা চুমেৰিয়ান মহাকাব্য 'গিলগামেছ'ত মহাকাব্যিক যুদ্ধৰ বৰ্ণনা কৰা হৈছে। যুদ্ধ-বিগ্ৰহৰ মাজেৰে সমাজ ৰূপান্তৰিত হৈ আহিছে। ধ্ৰুপদী যুগ আৰু মধ্যযুগত যুদ্ধৰ আধাৰত যিবোৰ সাহিত্যৰ সৃষ্টি হৈছিল, সেইবোৰ ৰাষ্ট্ৰৰ মাজত সংঘটিত হোৱা নাছিল। গোষ্ঠীবাদৰ আধাৰত যুদ্ধ সংঘটিত হৈছিল। হোমাৰৰ 'ইলিয়াড' এখন গ্ৰীক ষড়মাত্ৰিক মহাকাব্যিক কবিতা। ট্ৰজান যুদ্ধত নায়ক একিলিছে হেক্টৰক হত্যা কৰাৰ মাজেৰে ইয়াৰ আবেদন মৰ্মস্পৰ্শী কৰি তুলিছে। আনহাতে ট্ৰজান যুদ্ধৰ আধাৰত ৰচিত ভাৰ্জিলৰ 'ঐনিয় ' গ্ৰন্থই ঐতিহাসিক ৰোমান সাম্ৰাজ্যৰ পটভূমি তুলি ধৰে। ইউৰিপিডছে 'দ্যা ট্ৰজেন ওমেন'ৰ জৰিয়তে এথেনিয়ান ঔপনিৱেশিক শাসকৰ নিৰ্মম প্ৰতিচ্ছবি এখন তুলি ধৰিছে। শ্বেইক্সপীয়েৰৰ ' হেনৰী ফাইভ' দেখিবলৈ পোৱা যায় এজিনক'ৰ্ট' যুদ্ধৰ বিভীষিকা। ঊনবিংশ শতিকাত যুদ্ধবিষয়ক সাহিত্যই চিন্তাৰ নতুন দিশ মুকলি কৰে। 'ৱাটাৰলু' যুদ্ধক লৈ ফৰাচী লেখক ষ্টেণ্ডহলছে লিখা 'চাৰ্টাৰহাইছ অৱ পাৰ্মা', ৰাছিয়াৰ নেপোলিয়নিক যুদ্ধক লৈ লিও টলষ্টয়ে লিখা ' ৱাৰ এণ্ড পিচ', আমেৰিকাৰ গৃহযুদ্ধক লৈ ষ্টিফেন ক্ৰেনে লিখা 'দ্যা ৰেড বেজ অৱ কাৰেজ' আদি উপন্যাসৰ মাজেৰে যুদ্ধৰ ভয়াৱহতাৰ লগতে কেতবোৰ নৈতিক প্ৰশ্নও উত্থাপন কৰে। প্ৰেম, মৃত্যু, সময়, মানৱতাৰ আধাৰত এই শ্ৰেণীৰ সাহিত্যই বিশ্বজনীন ৰূপ ধাৰণ কৰিছে। যুদ্ধই সাহিত্যৰ ধাৰাক সলনি কৰি আহিছে। প্ৰথম বিশ্বযুদ্ধই ৰমন্যাসিক ধাৰাৰ সলনি কৰি এগৰাকী লেখকক আভ্যন্তৰীণ বিশ্বৰ সন্ধান কৰিবলৈ উৎসাহিত কৰে। প্ৰথম বিশ্বযুদ্ধৰ আলমত যিবোৰ সাহিত্যৰাজিৰ সৃষ্টি হৈছেল, তাত যুদ্ধৰ ভয়াবহতা তথা যুদ্ধৰ নেতিবাচক প্ৰভাৱ সম্পৰ্কত আলোকপাত কৰা হৈছিল। এগৰাকী লেখকে সেই যুদ্ধত জড়িত থাকি লাভ কৰা অভিজ্ঞতাক বাস্তৱ পৃথিৱীলৈ নিব বিচাৰিছিল। দ্বিতীয় বিশ্বযুদ্ধই গোষ্ঠীবাদ, শক্তি, গণতন্ত্ৰ আৰু মানৱীয় আচৰণৰ ইত্যাদিক সম্প্ৰৰীক্ষা কৰাৰ দিশত সাহিত্যৰ জগতখনত নতুন ধাৰাৰ সূচনা কৰে আৰু এগৰাকী লেখকে বাস্তৱবাদৰ সন্ধান কৰাৰ পথ প্ৰশস্ত কৰে। যুদ্ধৰ আলমত সৃষ্টি হোৱা সাহিত্যক গভীৰভাবে পৰ্যালোচনা কৰিলে দেখিবলৈ পোৱা যায় নিৰীহৰ মৃত্যু, ভাতৃত্ববোধ আৰু সম্পৰ্ক, যুদ্ধৰ ভয়াৱহতা, ধৰ্মৰ সৈতে মোহভংগ, প্ৰকৃতি, যুদ্ধৰ অযৌক্তিকতা, আৱেগ আৰু অনুভৱক মূলগত বিষয়বস্তু হিচাপে লোৱা হয়। যুদ্ধৰ গ্ৰন্থসমূহে পাঠকৰ মনত এক অদ্ভুত শিহৰণৰ সৃষ্টি কৰে। ষ্টিফেন ক্ৰেনৰ ' দ্যা ৰেড বেজ অৱ কাৰেজ' গ্ৰন্থখন ৰজ্জুত্বাপ্ত চনত প্ৰথম প্ৰকাশ পাইছিল। কিন্তু গ্ৰন্থখনৰ আবেদনে পাঠকক আকৰ্ষিত কৰি অহাৰ বাবে আজিও ইয়াৰ প্ৰকাশ হৈ আছে। প্ৰথম বিশ্বযুদ্ধত লাভ কৰা অভিজ্ঞতাৰ ভেটিত আৰ্ণেষ্ট হেমিংৱে লিখা ' এ ফেৰেৱেৱেল টু আৰ্মাছ', ভিয়েটনাম যুদ্ধক লৈ টিম অ' ব্ৰিয়েনে লিখা ' দ্যা থিংকছ ডে কেৰিদ' শীৰ্ষক উপন্যাসৰ জৰিয়তে যুদ্ধৰ বিভীষিকাই নহয়, মানৱতাবিৰোধী দিশসমূহ উন্মোচিত কৰা দেখা যায়। যুদ্ধ সম্পৰ্কত লিখা সাহিত্যৰাজিৰ মাজত শত্ৰুতাৰ বিষয়টোক বিশেষভাবে গুৰুত্ব আৰোপ কৰি এগৰাকী লিখকে চৰিত্ৰৰ সৃষ্টি কৰিব বিচাৰে। যুদ্ধৰ উদ্দেশ্য, বিশ্বাস, সাংস্কৃতিক মূল্যক তুলি ধৰি এগৰাকী সৈনিকৰ অভিজ্ঞতাক পটভূমি হিচাৰে লৈ অৱক্ষয়ৰ ছবি এখন অংকিত কৰিব বিচাৰে। যুদ্ধৰ সাহিত্যৰ মাজেৰে মানৱ ইতিহাসৰ ক'লা মুহূৰ্তবোৰ তুলি ধৰাৰ প্ৰয়াস দেখা যায়। ঐতিহাসিক দিনৰে পৰা আধুনিক মুক্ত যুদ্ধ বিষয়ক সাহিত্য পৰ্যালোচনা কৰিলে দেখা যায় যে লেখকসকলে এটা সুনিৰ্দিষ্ট বিষয় নিৰ্বাচিত কৰি এক সম্যক প্ৰতিচ্ছবি প্ৰকাশ কৰাৰ প্ৰয়াস চলাই আহিছে। মধ্যযুগৰ পৰা বিভিন্ন গ্ৰন্থত যুদ্ধৰ বিষয়ে, যুদ্ধৰ বাবে আৰু যুদ্ধৰ বিৰুদ্ধে লিখাৰ সময়ত এগৰাকী লেখকে যুদ্ধই এখন সমাজ,ৰাষ্ট্ৰ তথা বিশ্ব মানৱৰ সন্মুখত এনে এখন ছবি অংকনৰ প্ৰয়াস চলাই য'ত ভৱিষ্যত প্ৰজন্মই ইয়াৰ নেতিবাচক দিশসমূহ উদঘাটন কৰিব পাৰে। যুদ্ধ বিষয়ক যিকোনো সাহিত্যই যে নিখুঁত এক প্ৰতিচ্ছবি তুলি ধৰিব পাৰে, সেই কথা দৃঢ়তাৰে ক'ব পৰা নাযায়। যুদ্ধৰ লিখনিসমূহ একাধিক ৰূপত উদ্ভাষিত হয়। সমালোচনামূলক, আশ্বৰ্য বিষয়বস্তু, বিতৃষ্ণা, অপ্ৰকাশ্য বিষয়সমূহৰ প্ৰতিনিধিত্ব কৰাৰ লগতে ইতিহাসৰ এটা সময়ৰ দলিল প্ৰস্তুত কৰাৰ বাবেও লেখকসকলে প্ৰয়াস কৰে।

# তথ্য সংগ্ৰহ সংৰক্ষণ আৰু উপস্থাপন

বন্দিতা শৰ্মা কন্দলি দেৰগাঁও



কোনো এটা নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত জ্ঞান আৰ্জন কৰিবলৈ হ'লে সেই বিষয় টো আতি-গুৰি মাৰি জানি ল'ব লাগিব। তাৰ বাবে আমাক সেই বিষয়টোৰ তথ্যৰ প্ৰয়োজন হ'ব। সংগ্ৰহ কৰা তথ্য সমুহ সংৰক্ষণ আৰু সংগঠিত কৰাৰ প্ৰয়োজন আছে। এই তথ্য সংগ্ৰহ সংৰক্ষণ আৰু উপস্থাপনে আমাৰ অভিজ্ঞতা সংগঠিত কৰি সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে। তথ্য সমুহ তালিকাত সু-সংগঠিত কৰি ৰাখিলে তুলনা সমুহ স্পষ্ট কৈ ওলাই আহে।

সংগৃহীত তথ্যসমূহ সচিত্ৰলেখ বা দণ্ডলেখৰ সহায়ত দৃশ্যমান কৰিব পাৰি। দণ্ড লেখ বা সচিত্ৰ লেখ ব্যৱহাৰৰ বহুতো সুবিধা আছে। সচিত্ৰ লেখৰ ক্ষেত্ৰত সংগৃহীত তথ্যক প্ৰতীক ব্যৱহাৰ কৰি উপস্থাপন কৰা হয়। যি বিষয়ৰ তথ্য সংগ্ৰহ কৰা হয় সেই বিষয়ৰে প্ৰতীক চিহ্ন ব্যৱহাৰ কৰা হয়। এই লেখ সমুহ চাই তথ্য বিষয়ে সিদ্ধান্ত ল'ব পাৰি। বিভিন্ন প্ৰয়োজনীয় তথ্য সচিত্ৰ লেখ বা দণ্ড লেখ বোৱৰ ভিত্তিত পাব পাৰি।

দণ্ড লেখ অংকন কৰিবলৈ স্কেল বাছনি কৰি ল'ব লাগে। দণ্ড চিত্ৰ সমুহত নিৰ্ধাৰিত মানৰ সমানুপাতিক উচ্চতা বিশিষ্ট আৰু একে সমান প্ৰস্থৰ দণ্ড অংকন কৰা হয়। দণ্ডৰ দৈঘ্য নিৰ্ভৰ কৰে বাছনি কৰি লোৱা স্কেল আৰু সংগৃহীত তথ্যৰ বাৰংবাৰতা (সু-সংগঠিত তালিকা) ৰ ওপৰত। তথ্য সমূহ উপস্থাপন ৰ বাবে অনুভূমিক আৰু উলম্বভাৱে দুডাল অক্ষ ল'ব লাগে। একেটা বিষয়ৰে দুটা তথ্য সংগ্ৰহ কৰিলে বা দুই ধৰণৰ তথ্য তুলনা কৰিবলৈ হ'লে দুয়োটা তথ্য একেলগে উপস্থাপন কৰিব লাগিব। অৰ্থাৎ দুটা তথ্যৰ বাবে দুডাল দণ্ড আঁকিব লাগিব। এনে দণ্ড লেখক দ্বৈত দণ্ড লেখ বুলি কোৱা হয়। উদাহৰণ স্বৰূপে বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰে ছাত্ৰ আৰু ছাত্ৰীৰ সংখ্যা তুলনা কৰিব লাগে, এনে ক্ষেত্ৰত তথ্য উপস্থাপন কৰিবলৈ 'দ্বৈত দণ্ডলেখ' ৰ সহায় লোৱা হয়। অৰ্থাৎ দ্বৈত দণ্ডলেখে দুটা সংগৃহীত তথ্যক পলকতে তুলনা কৰাত সহায় কৰে।

মূল উৎসৰ পৰা সংগ্ৰহ কৰা তথ্যক প্ৰাথমিক তথ্য বোলা হয়। সহজতে আৰু সঠিক সিদ্ধান্তত উপনীত হ'বলৈ তথ্য খিনি শৃংখলাবদ্ধ ভাৱে সংগঠিত কৰিব লাগে। শৃংখলাবদ্ধ ভাৱে সংগঠিত

(দহ পৃষ্ঠাত চাওক)

# অপেক্ষা

হিমাদ্ৰী বৰকটকী, শিৱনগৰ, নগাঁও



তুমি এন্ধাৰৰ এচাকি জোনাক
নিশা পাৰ হয় জোনাকীৰ সতে
ধুমুহা আৰু এন্ধাৰৰ সতে মোৰ মিতিৰালি
তুমি অবিহনে ও ভাল পাওঁ তোমাক
তুমি ভবাতকৈ ও বহু বেছি
আতৰি গ'লেও তোমাক পাহৰিব পৰা নাই
কোনো পৰীৰ দেশত
হাবাথুৰি খোৱা সেই মুহূৰ্ত
এবাৰ ভাবি চোৱাচোন
আমাৰ ভালপোৱা...
অভিনয় মই বেয়া পাওঁ
মিছা অভিনয়
ভালপোৱা তুমি কি বুজিলা
মই নাজানো
সপোনৰ ঘৰখন সজাম বুলি
ভাঙি থৈ গলা
তুমি সুখী হ'ব পাৰিছানে?
এতিয়া মোৰ মাথোঁ
অতীতক সুৱৰী নীৰৱতাৰ প্ৰেম
এতিয়া মাথোঁ অপেক্ষা
নীৰৱতাৰ যাত্ৰাৰ...

# জনপ্ৰিয়তাৰ ভূতে মানুহবোৰক

বস্তু নহয়। মানুহৰ হৃদয়ে হৃদয়ে খোদিত হ'ব লাগিব আৰু মানুহে ভাল পাব লাগিব। আপোনাৰ কৰ্ম আৰু প্ৰতিভাই যদি মানুহৰ মন মোহিত কৰিব পাৰে তেন্তে সফলতা লাভ কৰিব পাৰিবই। আপুনি জনপ্ৰিয়তাৰ পিছে পিছে দৌৰাৰো কোনো দৰকাৰ নাই। আপোনাৰ পিছে পিছে জনপ্ৰিয়তা আৰু ধন-সম্পদে দৌৰিব। গতিকে কোনোবাই নজনাকৈ জনপ্ৰিয়তা জোৰ কৰি পাব বিচাৰে অথবা জনপ্ৰিয়তা পাবৰ বাবে চমু পথ গ্ৰহণ কৰিব খোজে, তেন্তে সেইটো কেতিয়াও ভাল পদক্ষেপ হ'ব নোৱাৰে । কাৰণ, তেনে পোৱা জনপ্ৰিয়তাৰ কোনো মূল্য নাই অথবা তেনেকৈ পালেও সেইবোৰৰ কোনো স্থায়িত্ব নাথাকে। জনপ্ৰিয়তা মানেই জীৱন নহয়। জনপ্ৰিয়তা লাভেই জীৱনৰ একমাত্ৰ লক্ষ্য হ'ব নোৱাৰে। মানুহে সৎ পথত থাকি ভাল কৰ্ম কৰি যোৱাৰ সদিচ্ছা আৰু তাড়না থকিব লাগিব। তেনে তাড়না আৰু সদিচ্ছাই জীৱনটোক উৰ্ধ্বমুখী গতি প্ৰদান কৰিবলৈ সক্ষম হ'ব। মুঠতে আমি নিজকে একো একোজন সফলতামুখী চিৰিৰে বগাই যাব পৰাকৈ কৰ্মদক্ষতা আৰু অভিজ্ঞতা আহৰণ আৰু সঞ্চয় কৰাত গুৰুত্ব দিব লাগিব। নীৰৱে-নিস্তব্ধে নিজৰ কৰণীয় কামবোৰ কৰি সমাজক উপকৃত কৰা আৰু সেৱা কৰাৰ মনোবৃত্তি থাকিব লাগিব। নিজে তিলটোকে তাল কৰি অথবা হৈ-চৈ কৰি আত্মগৌৰৱ আৰু আত্মগৰিমা প্ৰচাৰ কৰাৰ দৰে সস্তীয়া মনোবৃত্তিবোৰ এৰিব লাগিব। উদ্দেশ্যমুখী আৰু সৎ পথেৰে কৰা কাম আৰু আদৰ্শবোৰ সকলোৰে গ্ৰহণীয় আৰু, সৰ্বজনবিদিত হয় । জনপ্ৰিয় মানুহ মানেই উচ্চ খাপৰ ব্যক্তিত্বৰ অধিকাৰী নহ'বও পাৰে। কেতিয়াবা নিম্ন খাপৰ ব্যক্তিত্বৰ লোকেও কিছুমান বিশেষ কাৰণত জনপ্ৰিয় হ'ব পাৰে। আচলতে প্ৰতিজন ব্যক্তিৰে একো একোটা বিশেষ দিশত প্ৰতিভা থাকে। সেই প্ৰতিভাসমূহক লৈ বিশেষ ব্যতিক্ৰম ৰূপত নিজকে প্ৰকাশ কৰিব পাৰিলেই জনপ্ৰিয়তা লাভ কৰিব পাৰে। পিছে জনপ্ৰিয়তা লাভ কৰিব পাৰিলেও মানুহ আদৰ্শৱান নহ'বও পাৰে। যিসকলে প্ৰতিভাৰ সৎভাৱে ব্যৱহাৰ কৰি বিকশিত হয় তেওঁলোকে জনপ্ৰিয়তাৰ লগতে আদৰ্শৱানো হ'ব পাৰে। নৱপ্ৰজন্মসকলে কোনো প্ৰতিভা বা মেধাৰ অভাৱ নহয়। তেওঁলোকৰ আধুনিক কলা-কৌশল, দক্ষতা আদিৰে সমৃদ্ধশালী। তেওঁলোকেৰ কৰ্ম কৰাৰ প্ৰৱণতাৰো অভাৱ নহয়। মাথো তেওঁলোকক উচিত দিহা-পৰামৰ্শ আৰু উদগনি দিয়াৰ প্ৰয়োজন। তেওঁলোকক সস্তীয়া জনপ্ৰিয়তা লাভ কৰা সপোনৰ পিছে দৌৰি ফুৰাতকৈ কৰ্মসংস্কৃতিৰ পৰিৱেশ আহৰণ কৰি আগবাঢ়ি যোৱাৰ ক্ষেত্ৰতে গুৰুত্ব দিয়া প্ৰয়োজন। চাব লাগিব যাতে তেওঁলোকৰ প্ৰতিভাসমূহ অপচয় নঘটে আৰু সঠিক পথত আগবাঢ়ে সস্তীয়া জনপ্ৰিয়তাতকৈ আদৰ্শৱান হোৱাটোকে বেছি গুৰুত্ব দিয়া বাঞ্ছনীয়। আমাৰ নৱপ্ৰজন্মসকলক সৎ পথত থাকি নিজৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশৰ লক্ষ্য ৰাখিব লাগিব। আত্মস্বাৰ্থতকৈ সামাজিক স্বাৰ্থত বেছি গুৰুত্ব দি মানৱীয় প্ৰমূল্যবোধ, নৈতিকতাসম্পন্ন আৰু সামাজিক সম্পৰ্কসমূহক অকণো বিঘ্নিত নকৰাকৈ সুন্দৰকৈ জীৱন-যাপন কৰিব পৰা মানৱ সমাজ গঢ়াত সকলোকে অভিৰুচিত কৰিব লাগিব।

# সংৰক্ষণৰ অভাৱত


এই নিকৃষ্ট মানসিকতাৰ লোক সকলৰ পৰা গড় টোক ৰক্ষাৰ্থে বা গড় টোৰ প্ৰতি গুৰুত্বৰ ক্ষেত্ৰত অসম চৰকাৰে বৰ্তমান লৈকে একো পদক্ষেপ গ্ৰহণ কৰা নাই। অসম চৰকাৰৰ প্ৰত্নতাত্ত্বিক বিভাগেও ইয়াৰ সংৰক্ষণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। ৰঙিয়া সমষ্টিৰ স্থানীয় বিধায়ক তথা বৰ্তমানৰ বিজেপি অসম ৰাজ্যিক কমিটিৰ সভাপতি মাননীয় ভবেশ কলিতাই আড়িমত্ত কিম্বা বৈদ্যগড় টোক সৌন্দৰ্যবৰ্ধনৰ বাবে প্ৰশাসনক তাৎক্ষনিকভাৱে নিৰ্দেশনা দিছিল যদিও ইয়াৰ কোনো প্ৰভাৱ দেখা নগল বৰ্তমানেও। এয়া যেন কেৱল ফুটুকাৰ ফেন হে যেন আছিল! এনে গুৰুত্ব হীনতাৰ বাবে যে লাহে লাহে এদিন ৰঙিয়া বুকুত থকা ইতিহাস প্ৰসিদ্ধ এই আৰিমত্তগড় বা বৈদ্যগড়ৰৰ অস্তিত্ব যেন নোহোৱা হৈ পৰাৰ লক্ষন দেখা হৈছে।

ৰঙিয়াৰ ৫০ জনমান উদিয়মান যুৱক একত্ৰিত হৈ "মই আড়িমত্ত" নামৰ এটি অভিযান ইতিমধ্যেই আৰম্ভ কৰিছে। গড় টোত বৃক্ষ ৰোপনৰ জৰিয়তে আড়িমত্ত গড় কিম্বা বৈদ্যগড় টোক সংৰক্ষণ কৰাটোৱেই "মই আড়িমত্ত" অভিযানৰ প্ৰধান উদ্দেশ্য। আজি ৰঙিয়াত বাস কৰা প্ৰায় ভাগ ল'ৰাই নিজৰ জন্মদিনত গড় টোত এডাল কৈ বৃক্ষ ৰোপন কৰিব ধৰিছে ইয়াৰ আৰত আমি "মই আড়িমত্ত" অভিযান টোৰ আৰত থকা লোকক নিচ্ছয় কে শলাগিব লাগিব।

শেষত আজি যিদৰে চৰকাৰে ইতিহাস প্ৰসিদ্ধ অগ্নিপাহাৰ, সূৰ্যপাহাৰ, চৰাইদেউ মৈদাম, মদন কামদেৱ আদিক সংৰক্ষণ কৰি পৰ্যটনৰ ব্যৱস্থা কৰিছে ঠিক তেনেদৰে বৃহত্তৰ ৰঙিয়া অঞ্চলত বুকুত বেৰিয়াই থকা ইতিহাস প্ৰসিদ্ধ আড়িমত্ত কিম্বা বৈদ্যগড় টোকো সংৰক্ষণ কৰি পৰ্যটনৰ অন্যএক ব্যৱস্থা অসম চৰকাৰে কৰিব পৰে। উপযুক্ত আচনি লাভ কৰিলে আজি আৰিমত্তগড়ো চৰাইদেউ মৈদামৰ দৰে অসমৰ এখন অন্য তম পৰ্যটন স্থলি হিচাপে ৰঙিয়া গড় লৈ উঠিব।ইয়াৰ বাবে মাথো চৰকাৰৰ সদিচ্ছা আৰু উপযুক্ত পৰিকল্পনাৰ দৰকাৰ।

# প্ৰতিযোগিতা

শতাব্দী শৰ্মা, নগাওঁ



মানুহবোৰ দৌৰি আছে,
আশাৰ কোবাল নদীত সাঁতুৰি নাদুৰি
মৰীচিকা খেদি খেদি
মানুহবোৰ দৌৰি আছে ।
ৰ'দ কিম্বা বৰষুণ
সুখ কিম্বা দুখ
জঞ্জালতকৈও জঞ্জাল চপাই
মানুহবোৰ দৌৰি আছে।
এই দৌৰত দুৰন্ত শিখা পাবলৈ
কোনোবাই চিতভোলোঙা খাই পৰিছে,
কোনোবাই বিজয়েৰে আগবাঢ়ি গৈছে,
কোনোবাই হতাশ হৈ পৰিছে,
কোনোবাই বিবেকৰ কিয়দংশনত ভুগিছে!
কিন্তু মানুহবোৰ দৌৰি আছে,
মানুহবোৰ প্ৰতিযোগিতাৰ প্ৰতিদ্বন্দ্বী,
সেয়ে মানুহবোৰ দৌৰিছে।

# স্বাৰ্থপৰ

অৰুণা গোস্বামী, তিতাবৰ



স্বাৰ্থপৰ, স্বাৰ্থপৰ,
স্বাৰ্থপৰতাই কৰে সকলোকে বৰ্বৰ ।
ঘৰ-পৰ চিন নাই,
স্বাৰ্থৰ সীমা নাই,
মুখেৰেহে ভাল পায়,
অন্তৰত স্নেহ নাই,
সম্বন্ধবোৰ হ'ল অতিকে জৰ্জৰ,
মানুহবোৰ হ'ল আজি অতি স্বাৰ্থপৰ ।
আনৰ হোৱা বেছি দেখে,
নিজৰখিনি লুকাই ৰাখে,
বক্তৃতাৰ ফুলজাৰি,
কথাৰ নাই কমা-দাড়ি,
পৰচৰ্চা ভাল পায়,
নিজৰ গাত যেন দায় নাই ।


# তথ্য সংগ্ৰহ সংৰক্ষণ

তথ্যক বাৰংবাৰতা বিভাজন তালিকাত প্ৰকাশ কৰিব পাৰি। তালিকাৰ দৈৰ্ঘ্যৰ প্ৰতি লক্ষ্য ৰাখি তথ্য সমূহ একোটা গোটত (শ্ৰেণী অন্তৰাল) অন্তৰ্ভুক্ত কৰি লোৱা হয়। এটা গোটৰ শ্ৰেণী অন্তৰালৰ উচ্চ শ্ৰেণী সীমা আৰু নিম্ন শ্ৰেণী সীমাৰ মাজৰ পাৰ্থক্যক শ্ৰেণী দৈৰ্ঘ বোলা হয়। লেখ এটাৰ শ্ৰেণী দৈৰ্ঘ একে হ'ব লাগিব। দুটা শ্ৰেণী অন্তৰালৰ মাজত কোনো ব্যৱধান নাথাকিলে দণ্ডৰ মাজতো কোনো ব্যৱধান নাথাকে। তেনে তথ্য উপস্থাপনক স্তম্ভলেখ বা হিষ্ট'গ্ৰাম' বোলা হয়।

সংগৃহীত তথ্য পাইচিত্ৰ বা বৃত্তচিত্ৰ ব্যৱহাৰ কৰিও উপস্থাপন কৰিব পাৰি। বৃত্তচিত্ৰত তথ্য সমূহ বৃত্তাংশত ভাগ কৰি লোৱা হয়। অৰ্থাৎ তথ্যক বৃত্তৰ কেন্দ্ৰৰ ৩৬০°ৰ লগত তুলনা কৰি কেন্দ্ৰীয় কোণসমূহ নিৰ্ণয় কৰাৰ পিছত যিকোনো ব্যাসাৰ্ধৰ এটা বৃত্ত আঁকি কোণমান যন্ত্ৰৰ সহায়ত বৃত্তাংশবোৰ চিহ্নিত কৰি দেখুওৱা চিত্ৰ এটাকে পাইচিত্ৰ বা বৃত্তচিত্ৰ বুলি কোৱা হয়। বাহ্যিক দৃষ্টিত পাইচিত্ৰ বেছি সৌন্দৰ্যবৰ্দ্ধক।

# ধৰ্মৰ আত্মকথন

ফখৰুদ্দিন আহমেদ



মোৰ বাসস্থান বিচাৰি
হাহাকাৰ মানুহৰ
বহুতেই লিৰিকি বিদাৰি চাইছে
মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰ
আৰু অনেক ধৰ্ম মঠ
মন্দিৰ, মছজিদ, গুৰুদ্বাৰ
আৰু অনেক ধৰ্ম মঠ
মোৰ কদাপিও বাসস্থান নাছিল
আৰু নহয়
ক'ৰবাত মন্দিৰ ভাঙি পেলোৱা হৈছে
ক'ৰবাত মছজিদ
ক'ৰবাত গুৰুদ্বাৰ
চাৰি শ বছৰীয়া যীশুৰ
প্ৰতিমূৰ্তি ভাঙি
বিচাৰিছে মোক
কোনোবাই বিষ্ণুক বিচাৰিছে
মোক পাবলৈ
কোনোবাই আল্লাহক বিচাৰিছে
মোৰ ঠিকনা জানিবলৈ
কোনোবাই মেৰীৰ পুত্ৰ যীশুক
আকুতি কৰিছে মোৰ ৰং জানিবলৈ
ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ
এই ভাৰতবৰ্ষ
ঈশ্বৰৰ অৱতাৰ
ৰাম, কৃষ্ণ, নৰসিংহ আদি
দশ অৱতাৰৰ ৰংগ ভুমি
ভাৰতবৰ্ষৰ
হাজাৰ বছৰীয়া সভ্যতাৰ মাজতো
মই বাস নকৰো
হজৰত মহম্মদৰ জ্যোতিৰ তাড়নাত
ভাৰতবৰ্ষত প্ৰতিষ্ঠা হোৱা কেৰেলাৰ
চৌদ্ধ শ বছৰীয়া
চেৰামন পেৰুমল মছজিদতো
মই বাস নকৰো
ঠিক সেই দৰে
মক্কা, মদিনা নাইবা
আজমীৰৰ দৰগাহ আৰু
মৰ্কজ নিজামুদ্দিতো
কোনো ধৰ্ম গুৰুৰ সমাধি স্থল
মোৰ বাসস্থান নহয়
এইবোৰৰ সৈতে মোৰ
কোনো সম্পৰ্কও নাই
মই বাস কৰো
মানুহৰ অন্তৰত আৰু
চিৰ বিনন্দীয়া
প্ৰকৃতিত
তেনে অন্তৰবোৰে যেতিয়াই
মানুহৰ শিপাৰ সন্ধান কৰে
বুজি পায়
তেজৰ ৰং
অন্তৰৰ আকৃতি
ঐক্য-সংহতিৰ চেতনাবোধ
সেই বাবেই মই ধৰ্ম
ঈশ্বৰৰ অৱতাৰ
বিষ্ণু, ৰাম, কৃষ্ণ, নৰসিংহ আদি
দশাৱতাৰ
যি দৰে মোৰ আপোন
ঠিক সেই দৰেই আল্লাহ
মৰুৰ ঘাট মাউৰা হজৰত মোহাম্মদ
মেৰীৰ পুত্ৰ যীশু
গুৰু নানক
মোৰ আপোন
আৰু অনেক
কলুষ কালিমা যুক্ত
মানুহৰৰ অন্তৰত
মই বাস নকৰো
মানৱতাৰ স্বচ্ছ চিৰ প্ৰবাহিত তৰংগত সিহতে
বিপদ যুক্ত চাকনৈয়াৰ
সৃষ্টি কৰে
মানুহৰ পবিত্ৰ অন্তৰত মই বাস কৰো
কাৰণ
মানুহৰ পবিত্ৰ অন্তৰ
মোৰ ৰঙীন আচ্ছাদন
মানুহৰ অন্তৰৰ পবিত্ৰতাত
বিচাৰিলে মোক নিশ্চয়কৈ পাবা
মৰম আৰু বিশ্বাসৰ ৰত্ন ভাণ্ডাৰ
সেয়াই পৃথিবীৰ শান্তিৰ
অমল উৎস

# সমাজ

অঞ্জুমণি শইকীয়া,যোৰহাট



আমাৰ ঘৰখন মধ্যবিত্ত শ্ৰেণীৰ। সৰুৰে পৰা একেলগে ডাঙৰ হোৱা ল'ৰা এজনৰ লগত মোৰ প্ৰেম হ'ল। আমাৰ এই সম্পৰ্ক দুয়োখন ঘৰত জানিছিল যদিও কঠোৰ শাসন কৰা নাছিল। কৰিবইনো কিয়? আমি দুয়োখন ঘৰ একেই জাতৰ (সেই সময়ত বিবাহৰ ক্ষেত্ৰত জাতিৰ কথা আছিল)। কিছুমান ল'ৰা-ছোৱালীৰ দৰে আমি মনে মনে বা দেখাকৈও ফুৰা নাছিলো। ল'ৰাজনৰ চাকৰি হোৱাৰ পিছত বিবাহৰ কথা আহিল। এইখিনিতে সমাজৰ বান্ধোন! নীতি নিয়মৰ কথা আহি পৰিল। ল'ৰাৰ মাক -দেউতাকে আমাৰ চোতালত "হোমাগ্নি কৰিবলৈ দিলেহে ছোৱালী নিম" বুলি ক'লে । আমাৰ ঘৰত আকৌ "নাম কীৰ্ত্তন কৰিহে ছোৱালী নিব পাৰিব" বুলি ক'লে। দেউতাৰ ভয়, হোমাগ্নি কৰি ছোৱালী দিলে সমাজে এৰিব। দুয়োখন ঘৰ নিজৰ নিজৰ মতত থাকিল। মোৰ প্ৰেমিকৰ মাক দেউতাকে পুতেকক ক'লে, "তোৰ পচন্দক আমি না কৰা নাই। গতিকে তয়ো আমাৰ কথা পেলাব নোৱাৰ।" অৱশেষত ঘৰৰ পচন্দমতে মোৰ প্ৰেমিকে অন্য ছোৱালীক বিয়া পাতিলে। এই দুখ মই সহিব নোৱাৰিলো। লাহে লাহে মোৰ অসুখ হ'ল। ঘৰত মোক ডাক্তৰক দেখুৱালে, কবিৰাজক দেখুৱালে। জৰা ফুকাও কৰালে। কিন্তু ভাল ন'হল। মোৰ অৱস্থা দেখি বা'ৰ চিনাকি ল'ৰা এজনে মানুহ দুজনমান গোটাই মোৰ শিৰত সেন্দূৰ দিলে। মইও তাৰ মাজত মোৰ প্ৰেমিকক বিচাৰিলো, কিন্তু নাপালো। কেতিয়াবা ৰাষ্টাইদি যোৱা পুৰুষ দেখিলে মোৰ প্ৰেমিকৰ নামেৰে মাতো। এনেকুৱা অশান্তি হৈ থকা দেখি মোৰ স্বামীক তেওঁলোকৰ ঘৰৰ মানুহে অন্য এজনীক পত্নী কৰি আনি দিলে । মাজে মাজে মই ঘৰ এৰি ক'ৰবাত থাকো। আকৌ বা'হঁতে বিচাৰি আনে (এইবোৰ কথা মই পিছত জানিছিলো)। অৱশেষত মোক মানসিক চিকিৎসা কৰা ডাক্তৰ এজনক দেখুৱালে। লাহে লাহে মই সম্পূৰ্ণ সুস্থ হ'লো। ঘৰৰ পৰা আঁতৰি কোম্পানীৰ চাকৰিত সোমাই ব্যস্ত হ'লো। সময়ৰ সোঁতত মোৰ কাহিনীও পাহৰণিৰ গৰ্ভত বিলীন হ'ল।

# ENGLISH NEWS SECTION

## Innovation and entrepreneurship key for sustainable development for future generation: Minister Patowary



Guwahati, RB News: Industries and Commerce Minister Chandra Mohan Patowary attended the 1 st Innovation and Entrepreneurship Conclave – 2022 at IIT Guwahati today. The conclave is aimed at providing an exclusive platform for innovators, industry experts, start-ups, investors, students, entrepreneurs, researchers and policy makers to showcase product, process, prototype, services and exchange ideas to revitalize various research for successful commercialization of product or process. In his address, Minister Patowary said, 'IIT Guwahati has been at the forefront for its cutting edge research and active involvement in the dissemination of knowledge. Through its various centres of research and development, IIT Guwahati has been able to spark the spirit of entrepreneurship among the young students, support start-ups through guidance and mentorship and convert their ideas into sustainable ventures.' Calling upon the students to innovate ideas for a sustainable future, Patowary stated, 'Today is an ever-changing world with rapid growth and transformation in every spheres in human civilization. The 21st century will be dominated by startups, Artificial Intelligence, Internet of Things and Internet of Everything.' The Minister further added that in its three year old journey, Assam Startup – The Nest has been able to nurture startup ventures and has been recognised as an emerging startup ecosystem in India. Patowary also asked Director, IIT Guwahati to nurture entrepreneurship in the academic year so that students are future-ready to be successful job providers rather than job seekers. 'Inland Water Transport can collaborate with IIT Guwahati by providing the required technologies for better management of the riverine system. Since Advantage Assam, which already brought investments to the tune of Rs. 89,000 crores into the state, Assam has turned out to the favourite destination for investors.' 'IIT Guwahati is an outcome of Assam Accord. So I hope that students of this premier institute can take global positions to further spearhead the state's development,' said the Minister. The Industry Minister later on inaugurated an exhibition where young innovators displayed and explained their products. Prof. TG Sitharam, Director, IIT Guwahati; Prof. Prabha Shankar Shukla, VC, NEHU and other senior officials were present in the meeting.

## Assam Backward Classes Commission Reconstituted




Guwahati, RB News: Government of Assam has newly constituted the Assam Backward Classes Commission for next 3 years with Santanu Gogoi as the Chairperson. Dr. Ranjan Gogoi has been appointed as the Vice Chairperson of the Commission and Ranjana Dutta and Pranab Nath has been appointed as members. Secretary of WPT & BC Department will work in capacity of Member Secretary.

## Relaunching of ICSI-Shillong Study Centre, Tie-Up with Supercare Hospital, Career Awareness Programme and 1st Study Circle Meeting by NE Chapter of ICSI in Shillong



Guwahati, RB News: The North Eastern Chapter of The Institute of Company Secretaries of India renewed the ICSI-Shillong Study Centre in Shillong College, Shillong, Meghalaya on 19th April 2022. Dr. Mrs. Ampareen Lyngdoh, Hon'ble MLA, Laitumkhrah Constituency graced the relaunching Ceremony held in Shillong College on 19th April 2022 as Chief Guest. The Memorandum of Understanding was signed between CS Pradeep Sharma, Chairman, North Eastern Chapter of ICSI and Dr. Eva Kharkongor, Principal, Shillong College in the august presence of the Hon'ble Chief Guest and other Dignitaries and participants of the Occasion. During the re-launching Ceremony, the ICSI NE Chapter also entered into a Tie-up with Supercare Hospital, Shillong. The Hospital shall provide medical facilities to the CS Members and their dependents; Employees of ICSI and their dependents including retired and supporting Employees; and Students of ICSI at discounted rates. The re-launching ceremony was followed by a Career Awareness Programme for the Students of Shillong College. The Career Awareness Programme discussed on ICSI; Ministry of Corporate Affairs; CS Course; How to become a Company Secretary; Scope, Opportunities, Duties and Responsibilities of a Company Secretary. Shri Chiranjeeb Sarma Roy, Office In-Charge, NE Chapter of ICSI graced the Career Awareness Programme as Speaker. The North Eastern Chapter of ICSI for the 1st Time in the history of the Chapter, conducted a Study Circle Meeting in Shillong. The Study Circle Meeting was conducted from 4:00 PM to 8:00 PM on 19th April 2022 at Hotel Best Holiday Inn, Shillong. The Study Circle Meeting was conducted on the occasion of ICSI Secretarial Standards Week. CS Jyoti Chettri, Practicing Company Secretary from Shillong graced the Study Circle Meeting as Speaker. The Study Circle Meeting discussed on Decoding the Secretarial Standards and Guidance Notes issued by the ICSI. CMA Rana Bose, Chief General Manager (Finance) NEEPO; and Chairman, Guwahati Branch of The Institute of Cost Accountants of India graced the Study Circle Meeting by his esteemed presence and Special Address. Shri Chiranjeeb Sarma Roy, Office In-Charge, NE Chapter of ICSI coordinated the relaunching ceremony as well as the Study Circle Meeting. CS Pradeep Sharma, Chairman, North Eastern Chapter of ICSI delivered the Welcome Address in all the Events in Shillong on 19th April 2022 organised by ICSI NE Chapter.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

১০ বহাগ, ১৪২৭ চন  Rongili Barta, Date of Publication-- 24 April, 2022

## Beauty of the Week



**Sneha Gupta**

## চকুলো দুধাৰি

পদ্ম শঙ্কৰ চৌধুৰী




সৌৰা ছোৱালীজাকৰ মাজত কোন সেইজনী
নহয় নে তাই নীলাঞ্জনা জনী
নাই নাই নহয় কেতিয়াও
তাই বুলি কেনেকৈ বিশ্বাস যাওঁ?
নাই নাই হ'বই নোৱাৰে।
কেনেকৈ তাই হ'ব পাৰে?
আমাৰ ইহঁতৰ লগতো তাইৰ চিনাকি নাই
তেন্তে কোন বাৰু তাই?
কাষলৈ যাবলৈও চোন ভাল লগা নাই
তেন্তে কেনেকৈ জানোঁ কোন তাই?
কলেজত পঢ়া সময়ৰ কথা
পাহৰি যাব জানো এতিয়া?
আভিজ্যাতৰ মাজত তাই লালিতা-পালিতা
অতি আদৰৰ পিতৃ-মাতৃৰ তাই দুহিতা
আহিব নে গাঁৱৰ বোকা পানী খুচিবলৈ?
তেন্তে জানোঁ বাৰু কেনেকৈ?
এতিয়া কাকনো সুধোঁ গৈ ?
খোজ-কাটল চোন তাইৰ দৰেই,
বিশ্বাস কৰিব পৰা নাই,
এয়া সপোন নে দিঠক কেনেকৈ সঞ্জাত হওঁ
মই,
নিজৰ চকুযুৰিক বিশ্বাস কৰিব পৰা নাই মই।
নাই যাহওক সুধিব লাগিবই,
মোক চিনি পাব জানো তাই।
নিচিনিলে চিনাকি দিম মই
কিয় নাপাব হা,
কিমান দিননো হ'ল তাইক এৰি অহা।
তাইতো নাজানে এইখন আমাৰ গাঁও বুলি।
তাই কলেজৰ কথাবোৰ যাব জানো পাহৰি?
আমাৰ প্ৰেম কোনো শক্তিয়ে নোৱাৰে চিঙিব
সেই প্ৰেম স্পন্দন মনৰ পৰা নাই পাহৰি যাব।
দুৰু দুৰু কৈ কাষ চাপি গলোঁ,
কেতিয়া কাষ পালোঁ গমেই নাপালোঁ।
হয় তাই নীলঞ্জনাই
কপালত ৰঙা ফোটি ৰঙাকৈ ৰাখিছে জিলিকাই
মোক দেখি তাই উচপ খাই উঠিছে
লগে লগে মোৰ নিবন্ধৰ পৰা চকু আতৰাই
নিছে।
নী----কৈ আৰু ক'ব নোৱাৰিলোঁ
গলত কিহবাই চেপা ধৰিলে
মই চাৰিফালে শূন্যবোৰ নাচা দেখিছোঁ
নিজকে বিশ্বাস কৰিব নোৱাৰা হৈ পৰিছোঁ
কেতিয়া মোৰ পৰা তাই আতঁৰি গ'ল
গমেই নাপালোঁ।
বিমৰ্ষ হৃদয়খনি লৈ ঘৰমুৱা হলোঁ
বিছনাত গাডুটো লৈ তাইৰ কথাকে ভাবিলোঁ
তাইৰ কেতিয়া বিয়া মই চোন গমেই নাপালোঁ
মনক প্ৰবোধিলো তাইৰ সুখেই কাম্য নহয় নে
মোৰ
ঈশ্বৰে যাতে তাইৰ যুগ্ম জীৱনটো কৰে
সুখকৰ।
অজানিতে গালেদি বৈ আহিল চকুলো দুধাৰি।
তাই দিয়া ৰুমালখনেৰে মুচিলোঁ চকুলো ধাৰি।

## Art of the Week



**Mananya Goswami**

## Photography of the Week



**Anuj protim Baruah**

**Beauty of the Week   Art of the Week**
আৰু · **Photography of the Week** লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ **E-mail** যোগে প্ৰেৰণ কৰক
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি  মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি  সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী  সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi  Ph. 99570-45203  EDITOR-IN-CHIEF :-  UDDIPTA NAYAN MEDHI  Ph.98542-15286